


সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২৮ ফেব্ৰুৱাৰী, ২০২৫/১৫ ফাগুন ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ ● সংখ্যা - ৪৫ ● Vol - 13, Issue - 45




# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিলে এডভাণ্টেজ আছাম ২.০ সন্মিলন

## এডভাণ্টেজ আছাম ২.০ সন্মিলনে বিকাশ আৰু সুযোগৰ নতুন যুগৰ সূচনা কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰ, কেইবাগৰাকীও কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বিদেশী ৰাষ্ট্ৰদূত আৰু কেইবাগৰাকী উদ্যোগপতিৰ উপস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়কৈ অনুষ্ঠিত এডভাণ্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন উদ্বোধন কৰে। উদ্বোধনী ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ পৰম্পৰাগত ঔদ্যোগিক দিশ অৱলোকন কৰি কয় যে অসমে দেশৰ ঔদ্যোগিক ক্ষেত্ৰখনক নেতৃত্ব দিব পৰা এক চহকী ৰাজ্য হিচাপে আত্মপ্ৰকাশৰ প্ৰতিশ্ৰুতি বহন কৰিছে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে অসমক দেশৰ এক ঔদ্যোগিকভাৱে শক্তিশালী ৰাজ্য হিচাপে বিকশাই তোলাৰ দিশত ভাৰত চৰকাৰৰ আন্তৰিক সমৰ্থন আৰু দায়বদ্ধতাৰ কথাও উল্লেখ কৰে। তেওঁ লগতে প্ৰযুক্তি আৰু উৎপাদন খণ্ডৰ অগ্ৰাধিকাৰেৰে অৰ্থনৈতিক ক্ষেত্ৰখনলৈ অনা বৈচিত্ৰ্যপূৰ্ণ পৰিৱৰ্তনৰ বাবেও প্ৰশংসা কৰে। উল্লেখ্য যে, এডভাণ্টেজ আছাম ২.০ সন্মিলনৰ জৰিয়তে ৰাজ্যখনত চহকী বিনিয়োগ আৰু ঔদ্যোগিক পৰিৱেশতন্ত্ৰ সম্পৰ্কে তুলি ধৰাৰ লগতে ইয়াৰ স্থানগত সুবিধা, গতিশীল বিনিয়োগ নীতি আৰু বিনিয়োগৰ লভ্যাংশ দিব পৰা সম্ভাৱনা থকা এক বিশাল বজাৰ উপস্থাপন কৰিব বিচৰা হৈছে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্মিলন ৰাজ্যখনৰ ঔদ্যোগিক যাত্ৰাপথৰ এক ঐতিহাসিক অনুষ্ঠান বুলি অভিহিত কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদ আৰু গৌৰৱময় উপস্থিতিয়ে এডভাণ্টেজ আছাম ২.০য়ে বিকাশ আৰু সুযোগৰ এক নতুন যুগৰ সূচনা কৰিব। মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। অসমৰ চাহৰ ২০০ বছৰ *১০ পৃষ্ঠাত*

# অসমে অত্যাধুনিক প্ৰযুক্তিৰ ভেটি গঢ়ি তুলিছে ঃ মুখ্যমন্ত্ৰী

## ৰাজ্যৰ অৰ্ধপৰিবাহী পৰিৱেশতন্ত্ৰৰ উন্নয়ন সাধনৰ ঘোষণা কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰীৰ





**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীত অনুষ্ঠিত 'এডভাণ্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনিৰ সন্মিলনৰ অংশ হিচাপে আয়োজিত 'বিকশিত ভাৰতবৰ্ষৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে অসমত অৰ্ধপৰিবাহী খণ্ডক আগুৱাই নিয়া' শীৰ্ষক বিষয়ভিত্তিক অধিৱেশনত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় বৈদ্যুতিন, তথ্য প্ৰযুক্তি, ৰে'ল দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। ৰাজ্যখনত অৰ্ধপৰিবাহী উৎপাদন আৰু আৰ্হিৰ পৰিৱেশতন্ত্ৰক অধিক বিকশাই তোলাৰ লগতে উদ্ভাৱন, আন্তঃগাঁথনি উন্নয়ন আৰু বিনিয়োগৰ সুযোগ সৃষ্টিৰ দিশত গুৰুত্ব আৰোপ কৰাৰ লক্ষ্যৰে এই অধিৱেশনত চৰকাৰ, উদ্যোগ আৰু শিক্ষানুষ্ঠানৰ মূল অংশীদাৰীসকলে অংশগ্ৰহণ কৰি ৰাজ্যৰ অৰ্ধপৰিবাহী উদ্যোগৰ ভৱিষ্যৎ আৰু দেশৰ অৰ্ধপৰিবাহী কৌশল সম্পৰ্কে আলোকপাত কৰাৰ উদ্দেশ্যে এই অধিৱেশনৰ আয়োজন কৰা হয়। অধিৱেশনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনে সম্প্ৰতি অত্যাধুনিক প্ৰযুক্তিৰ ভেটি গঢ়ি তুলিছে আৰু ইয়ে ঔদ্যোগিক খণ্ডৰ বিকাশ সাধন কৰাৰ লগতে অসমক বিশ্বৰ অৰ্ধপৰিবাহী মানচিত্ৰত স্থান দিব। মুখ্যমন্ত্ৰীয়ে কয় যে টাটা ইলেক্ট্ৰনিকচে জাগীৰোডত নিৰ্মীয়মান অত্যাধুনিক অ এছ এ টি ইউনিটটোৱে ২০২৫ চনৰ পৰা উৎপাদন আৰম্ভ কৰিব। ইয়াত থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি দৈনিক ৪৮ মিলিয়ন চিপচ উৎপাদন কৰাৰ ক্ষমতা থাকিব আৰু ইয়ে ৰাজ্যখনৰ ঔদ্যোগিক দিশটোৰ দ্ৰুত পৰিবৰ্তন সম্ভৱ কৰি তুলিব। তেওঁ কয় যে এই প্ৰকল্পৰ জৰিয়তে ২৭ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ জৰিয়তে স্থানীয় প্ৰতিভাধৰ যুৱক-যুৱতীৰ নিয়োগৰ দুৱাৰ মুকলি হোৱাৰ লগতে দক্ষতা বিকাশৰ জৰিয়তে নতুন প্ৰজন্মক বৃহৎ সপোন দেখাৰ বাবে অনুপ্ৰাণিত কৰিব। মুখ্যমন্ত্ৰীয়ে বিশ্বৰ অৰ্ধপৰিবাহী উদ্যোগসমূহক অসমত উপলব্ধ বিশাল সুযোগসমূহৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়। তেওঁ অসমৰ বাবে উল্লেখযোগ্য সুযোগ মুকলি কৰি অৰ্ধপৰিবাহী উদ্যোগৰে লাভৱান হ'ব পৰাকৈ এক শক্তিশালী পৰিৱেশ *১০ পৃষ্ঠাত*

# চাংসাৰীত নতুন কেম্পা আৰু বিভাৰেজৰ বটলিং প্লাণ্টৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰিলায়েন্স গ্ৰুপৰ প্ৰতিষ্ঠান ৰিলায়েন্স কনজিউমাৰ প্ৰডাক্টছ্ লিমিটেডে ৰাজ্যখনৰ স্থানীয় প্ৰতিষ্ঠান জেৰিকো ফুডছ আৰু বিভাৰেজৰ সহযোগত গুৱাহাটীৰ নিকটৱৰ্তী চাংসাৰিত স্থাপন কৰা নতুন কেম্পা আৰু বিভাৰেজৰ বটলিং প্লাণ্টৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটো ৰাজ্যখনৰ বাবে এটি সুন্দৰ দিন। তেওঁ কয় যে ৰিলায়েন্স গ্ৰুপৰ প্ৰতিষ্ঠান ৰিলায়েন্স কনজিউমাৰ প্ৰডাক্টছ্ লিমিটেডে ৰাজ্যখনৰ স্থানীয় প্ৰতিষ্ঠান জেৰিকো ফুডছ আৰু বিভাৰেজৰ সহযোগত অসমত স্থাপন কৰা নতুন কেম্পা আৰু বিভাৰেজৰ বটলিং প্লাণ্টটোৰ উৎপাদনৰ কাম আজিৰে পৰা আৰম্ভ হ'ল। তেওঁ কয় যে এই উদ্যোগটোৱে অতি সুন্দৰভাৱে কেম্পা কোলা আৰু ইয়াৰ লগত জড়িত *১০ পৃষ্ঠাত*



# খেলৰ জৰিয়তে জীৱন শৃংখলিত হয় ঃ সাংবাদিক প্ৰকাশ মহন্ত

### উৰিয়া গাঁৱত ত্ৰিকোণীয়া প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত উৰিয়া গাঁও ইলেভেন ষ্টাৰৰ জয়লাভ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও আঞ্চলিক যুৱক-বৃন্দৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা ত্ৰিকোণীয়া প্ৰাইজমানি ক্ৰিকেট খেল প্ৰতিযোগিতাৰ যোৱা ২২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা ফাইনেল খেলত উৰিয়া গাঁও ইলেভেন ষ্টাৰ ক্লাৱে গোমোঠা গাঁও ৰয়েল ষ্টাৰ ক্লাৱক ৩ উইকেটত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলখনত প্ৰথমে বেট ধৰি গোমোঠা গাঁও ৰয়েল ষ্টাৰ ক্লাৱে ১৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯১ ৰান সংগ্ৰহ কৰে।দলটোৰ হৈ প্ৰসেনজিত দাসে সৰ্বাধিক ২৩ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত উৰিয়া গাঁও ইলেভেন ষ্টাৰ ক্লাৱে ১০ অভাৰ ৫ টা বলত ৭ টা উইকটৰ বিনিময়ত প্ৰয়োজনীয় ৰানখিনি সংগ্ৰহ কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ শশাংক ফুকনে ৫৩ ৰান সংগ্ৰহ কৰি চূড়ান্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ৰাজা নেওগ, শ্ৰেষ্ঠ বলাৰ হিচাপে মানস জমিদাৰ, শ্ৰেষ্ঠ ফিল্ডাৰ হিচাপে মৃদুল হাজৰিকাই পুৰস্কাৰ লাভ কৰে। খেলখন পৰিচালনা কৰে জ্ঞান ৰঞ্জন বৰা আৰু সঞ্জীৱ বৰাই। প্ৰতিযোগিতাৰ খেলখনৰ শুভ উদ্বোধন কৰে নগাঁও ক্ৰীড়া সন্থাৰ সম্পাদক তপন কুমাৰ দাসে। বিশিষ্ট নাট্যকৰ্মী কমলেশ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ সভাত অসমীয়া প্ৰতিদিন কাকতৰ সহযোগী সম্পাদক প্ৰকাশ মহন্তই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সু-শৃংখলিত জীৱন তথা ক্ৰীড়া শৈলী গঢ় দিয়াৰ ক্ষেত্ৰত এখন খেলপথাৰৰ ভূমিকা সম্পৰ্কত আলোকপাত কৰি ভাষণত কয়-জীৱনৰ প্ৰতিভা খেলেই নিৰূপণ কৰে। খেলৰ জৰিয়তে জীৱন শৃংখলিত হয়। খেল বিৱৰ্জিত এটা পৰিৱেশৰ বাবে এটা বিশৃংখল সমাজ ব্যৱস্থা গা কৰি উঠে। খেল কেৱল শৰীৰ চৰ্চা, প্ৰতিভা বিকাশ, মেডেল বাবে, ৰানৰ বাবে নহয়। জীৱনৰ যিটো ৰান, সেই সুনিৰ্দিষ্ট ট্ৰেকটোক খেলে বিচাৰি উলিয়াই দিয়ে। আৰক্ষী পৰিদৰ্শক মৃদুল হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত ভাষণত সাংবাদিক মহন্তই দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা ঐতিহাসিক উৰিয়া গাঁৱৰ খেল পথাৰখন স্থানীয় ৰাইজৰ সন্মিলিত দৃঢ় প্ৰচেষ্টাৰ বাবেই পুনৰজীৱিত হৈ উঠা কাৰ্যক শলাগ লোৱাৰ লগতে উক্ত খেলপথাৰখনৰ পৰাই ভৱিষ্যতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈৰ সৃষ্টি হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। সভাত নগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত দাসে ভাষণত উঠি অহা প্ৰজন্মক ড্ৰাগছৰ কৱলৰ পৰা কেনেধৰণে মুক্ত কৰিব পাৰি সেই বিষয়ে বক্তব্য আগবঢ়ায়। সভাত জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, পলাশ প্ৰতীম হাজৰিকা, হেমেন কুমাৰ দাস, নগাওঁ ক্ৰিকেট সন্থাৰ সম্পাদক মৃণাল হাজৰিকা, সাংবাদিক বীৰেন বৰা, ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ ৰাজু দৈমাৰী, পাহি কেওট আদিক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত প্ৰাক্তন খেলুৱৈ ডিম্বেশ্বৰ বৰা, পংকজ হাজৰিকা, ৰাতুল বৰা, উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়া, উপ-সভাপতি বিকি হাজৰিকা, নিতুল বনিয়া, ৰাজ হাজৰিকা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰবোধ কুমাৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক শোনিধৰ বৰা, সমাজকৰ্মী পদুম বৰুৱা, প্ৰভাত বৰা, ৰূপৰাম হাজৰিকা, চন্দ্ৰ হাজৰিকা, জিতুমণি বৰা প্ৰমুখ্যে বহু ব্যক্তি উপস্থিত আছিল। উল্লেখযোগ্য যে, ক্ৰিকেট প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলৰ অনুষ্ঠানত অংশগ্ৰহণৰ মাজতে জ্যেষ্ঠ সাংবাদিক প্ৰকাশ মহন্তই কৰৈয়নী হেজাৰী ভাওনা মহোৎসৱৰ প্ৰস্তুতি সন্দৰ্ভত হোৱা এক ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে।

# কৰৈয়নীৰ ঐতিহ্যমণ্ডিত হেজাৰী ভাওনা মহোৎসৱৰ প্ৰস্তুতিৰ বুজ ল'লে বিধায়ক ৰূপক শৰ্মাই



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী কৰৈয়নীস্থিত 'কলংপৰীয়া বাৰগএণ্ড সমাজ' আৰু 'বাৰগএণ্ড মহিলা সমিতিৰ যৌথ ব্যৱস্থাপনাত' অনুষ্ঠিত হ'বলগীয়া হেজাৰী ভাওনা মহোৎসৱে এইবাৰ গৌৰৱোজ্বল দ্বাদশ বৰ্ষত সংখ্যক বৰ্ষত ভৰি দিলে। অহা আগন্তুক ১৩, ১৪, ১৫ আৰু ১৬ মাৰ্চত হেজাৰী ভাওনা মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্‌যাপন সমিতিৰ সভাপতি হিচাপে বিধায়ক ৰূপক শৰ্মাই যোৱা ২৩ ফেব্ৰুৱাৰীত ভাওনা মহোৎসৱৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যৰে মন্দিৰৰ বিষয়ববীয়া, আইমাতৃসকলৰ লগতে ভকত, বৈষ্ণৱসকলৰ সৈতে পৃথকে পৃথকে আলোচনাত মিলিত হয়। অংকীয়া ভাওনা প্ৰচাৰ আৰু প্ৰসাৰৰ মূল উদ্দেশ্য আগত ৰাখি কৰৈয়নীস্থিত কলংপৰীয়া বাৰগএণ্ড সমাজ আৰু বাৰগএণ্ড মহিলা সমিতিৰ যৌথ ব্যৱস্থাপনাত এইবেলিও অনুষ্ঠিত হ'ব দ্বাদশ সংখ্যক হেজাৰী ভাওনা মহোৎসৱ। সেই উদ্দেশ্যে আয়োজনস্থলীত ক্ষীপ্ৰ গতিত প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে, ১৯৬৬ চনত কলংপৰীয়া বাৰগএণ্ড সমাজ নামৰ এটি ধৰ্মীয় অনুষ্ঠান গঢ়ি তোলা হৈছিল। অংকীয়া ভাওনা প্ৰদৰ্শনৰ মূল উদ্দেশ্য আগত ৰাখি উৰিয়া গাঁৱৰ সমীপৰ বৃহত্তৰ কৰৈয়নী অঞ্চলৰ মধ্যস্থল বৰডোঙা পথাৰত পদ্মকৃতিৰ নৱদ্বাৰযুক্ত এটা মন্দিৰ নিৰ্মাণ কৰা হৈছিল। ২০০৭ চনত বৰপেটা সত্ৰৰ পৰা অক্ষয় বন্তিৰ শিখা আনি মন্দিৰত স্থাপন কৰা হৈছিল। অতি পুৰণি এই মন্দিৰভাগ আৰু নাট মণ্ডপ জহি-খহি গৈছিল যদিও কিছুদিন পূৰ্বে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উক্ত স্থানত উপস্থিত হয়। পৰৱৰ্তী সময়ত মন্দিৰৰ উন্নয়নৰ বাবে চৰকাৰী আঁচনিৰ জৰিয়তে ৫০ লাখ টকাৰ অনুদান আগবঢ়ায়। বৰ্তমান বিধায়ক ৰূপক শৰ্মাৰ বিশেষ তৎপৰতাত মন্দিৰটোৰ পুনৰ নিৰ্মাণৰ কাম চলি আছে। এই কাম-কাজৰ তদাৰকৰ উদ্দেশ্যে বিধায়ক গৰাকীৰ সৈতে উপস্থিত থাকে অসমীয়া প্ৰতিদিন কাকতৰ সহযোগী সম্পাদক প্ৰকাশ মহন্ত। মন্দিৰভাগৰ সৈতে ৮০ দশকৰ পৰাই জড়িত জ্যেষ্ঠ সাংবাদিক মহন্তই বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ লগতে অনুষ্ঠানটোত বিধায়ক ৰূপক শৰ্মাক সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। উক্ত প্ৰস্তুতি সভাত বাৰগএণ্ড হেজাৰী ভাওনা মন্দিৰৰ সভাপতি নবীন চন্দ্ৰ গোস্বামী, উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ক্ষীৰ কান্ত শৰ্মা, ভুৱন চন্দ্ৰ শৰ্মা, সম্পাদক দিলীপ বৰা, সোনাৰাম বৰা, শম্ভূ শইকীয়াকে ধৰি ১১ খন গাঁৱৰ ৰভাৰ সভাপতি-সম্পাদকসকল উপস্থিত আছিল।

# আছু ত্যাগ কৰিলে কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক পংকজ কলিতাই



**দিলীপ মেধি, শুৱালকুছি ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পংকজ কলিতাই একান্ত ব্যক্তিগত কাৰণত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাথমিক সদস্যৰ পৰা অব্যাহতি গ্ৰহণ কৰিলে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ এজন জনপ্ৰিয় ছাত্ৰ নেতা পংকজ কলিতা দীৰ্ঘদিন ধৰি আছুক নেতৃত্ব প্ৰদান কৰি আহিছিল। ২০০৮ চনতে বামুন্দী মহাবিদ্যালয়ত আছু গোটত অন্তৰ্ভুক্ত হৈ পৰৱৰ্তী সময়ত আছু গোটৰ সভাপতি, ২০১০ চনত বামুন্দী শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক, ২০১২ চনত বামুন্দী শাখা ছাত্ৰ সন্থাৰ সভাপতি, ২০১৪ চনত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, ২০১৭ চনত কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ২০২০ চনত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আৰু ২০২৩ চনত সদৌ অসম ছাত্ৰ সন্থাৰ মৰিগাঁও অধিৱেশনত কামৰূপ জিলা ছাত্ৰ সন্থাক প্ৰতিনিধিত্ব কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদকৰ দৰে দায়িত্ব পালন কৰি আহিছিল ছাত্ৰ নেতা পংকজ কলিতাই। কামৰূপ জিলাৰ বামুন্দী গাৱঁত জন্মগ্ৰহণ কৰা পংকজ কলিতাই সৰুৰে পৰা সামাজিক কামবোৰ নিষ্ঠা সহকাৰে পালন কৰি মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছিলে। জিলাখনৰ যি কোনো সমস্যাতে সততে মাত মাতি অহা ছাত্ৰ নেতা পংকজ কলিতাই পৰৱৰ্তী সময়ত ৰাইজৰ কাষত থাকি সদায়েই ৰাইজৰ সমস্যাবোৰ সমাধান কৰিব চেষ্টা কৰিম বুলি এক প্ৰেছ বিবৃতি জৰিয়তেই অৱগত কৰিছে।

# প্ৰাক্তন গাঁওপ্ৰধান খগেন চন্দ্ৰ বৰাৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ গোমোঠা গাঁৱৰ বাসিন্দা, প্ৰাক্তন গাঁও প্ৰধান খগেন চন্দ্ৰ বৰাৰ (৭৭) যোৱা ২২ ফেব্ৰুৱাৰীত পুৱা নিজ বাসভৱনত মৃত্যু হয়। কিছুদিন ধৰি প্ৰাক্তন গাঁও প্ৰধান গৰাকী জটিল ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছিল। প্ৰয়াত বৰা নিজ গোমোঠা কিচামতৰ গাঁও প্ৰধান হিচাপে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰিছিল। ২০২২ বৰ্ষত তেওঁ উক্ত পদবীৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত প্ৰয়াত ব্যক্তি গৰাকীয়ে পত্নী, এগৰাকী জীয়ৰী, জোঁৱাইসহ অনেক আত্মীয় স্বজনক এৰি থৈ গৈছে।

# নকাৰীত সন্মিলিত ৰঙালী বিহু সন্মিলনৰ নতুন কেন্দ্ৰীয় সমিতি গঠিত

### বায়নচুক গাঁৱক আয়োজনৰ দায়িত্ব

**প্ৰাঞ্জল গগৈ, দুলীয়াজান ঃ** যোৱা ইংৰাজী ২৩ ফেব্ৰুৱাৰী দেওবাৰে শেনচোৱা মজলীয়া বিদ্যালয়ত সন্মিলিত ৰঙালী বিহু সন্মিলন, নকাৰী সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সভাপতি আসন শুৱনি কৰে ধন বৰুৱাই আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় প্ৰধান সম্পাদক অবিনাশ শইকীয়াই। সভাত উপস্থিত থাকি কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা প্ৰদীপ বৰুৱা, উপদেষ্টাদ্বয় উমা গগৈ আৰু ইন্দেশ্বৰ গগৈ, উপ-সভাপতি অৰুণ গগৈ, সহ-সম্পাদকগণ গকুল গগৈ আৰু বিশ্বজিত ডেকাই বক্তব্য আগবঢ়ায়। বক্তাসকলে বিগত বছৰসমূহত অনুষ্ঠিত বিহুৰ সফলতা আৰু আগন্তুক বিহু আয়োজনৰ দিশসমূহত গুৰুত্ব আৰোপ কৰে। ৩১ সংখ্যক উদ্‌যাপন সমিতিয়ে যোৱা বছৰৰ উদ্‌যাপনৰ আয়-ব্যয়ৰ হিসাব দাখিল কৰে, যিটো কোষাধ্যক্ষ ত্ৰিদিপ হাজৰিকাই সভাত উপস্থাপন কৰে। এই সভাতেই নতুন কেন্দ্ৰীয় সমিতি গঠন কৰা হয়, য'ত উল্লেখযোগ্য পদসমূহ হ'ল- সভাপতি অৰুণ গগৈ, প্ৰধান সম্পাদক অবিনাশ শইকীয়া আৰু সাংস্কৃতিক সম্পাদক প্ৰণৱ জ্যোতি ফুকন। ইয়াৰ উপৰিও, নতুন কেন্দ্ৰীয় সমিতিত মুঠ ৩১ জন সদস্য অন্তৰ্ভুক্ত কৰা হয়। সভাত ৩২ সংখ্যক ৰঙালী বিহু আয়োজনৰ বাবে বায়নচুক গাঁৱৰ পৰা আবেদন দাখিল কৰা হয়, যিটো সভাই অনুমোদন দিয়ে। সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয় যে আগন্তুক বিহু উদ্‌যাপন বায়নচুক গাঁৱত অনুষ্ঠিত হ'ব। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়, যাৰ মাজত বিহু উদ্‌যাপনক অধিক বৰ্ণিল আৰু সু-সংগঠিত কৰি তোলাৰ ব্যৱস্থা প্ৰধান বিষয় হৈ পৰে।

# বিলাই দিয়াৰ আনন্দ

■ পৰেশ বৈশ্য

যিটো সময়ত ধন-সম্পত্তি, যশস্যা, পদ-মৰ্যাদা লাভেই জীৱনৰ সুখৰ আধাৰ বুলি ভবা হয়, সেই সময়ত বিলাই দিয়াৰ আনন্দ (যাক ইংৰাজীত The Joy of Giving বুলি ক'ব পাৰি) বোলা কথাটো বহুতৰ বাবে এটা অবান্তৰ কথা নিশ্চয়। আমি সকলোৱে জীৱনৰ প্ৰায়খিনি সময় এইবোৰৰ প্ৰাপ্তিৰ বাবেই কটাওঁ। এই কথা অস্বীকাৰ কৰিব নোৱাৰি। মৃত্যুৰ আগদিনালৈকে আমাৰ বৈষয়িক বাসনা অব্যাহত থাকে। আমি এক মায়াৰ জগতত নিমজ্জিত হৈ থাকো বাবেই এয়া স্বাভাৱিক। কিন্তু আমি এটা কথা বৰ পলমকৈ উপলব্ধি কৰোঁ যে এই পাৰ্থিৱ বা বৈষয়িক সুখ আমাৰ বাবে প্ৰকৃত সুখ নহয়। নহয় ই প্ৰকৃত আনন্দৰো উৎস।

আপোনালোকে বহুতে নিশ্চয় সম্ৰাট আলেকজেণ্ডাৰ দ্য গ্ৰেটে মৃত্যুৰ আগতে প্ৰকাশ কৰা ইচ্ছা তিনিটাৰ কথা জানে। তেওঁৰ শেষ ইচ্ছা তিনিটা আছিল ঃ

১। তেওঁৰ মৃত্যুৰ পাছত কফিনটো ৰাজপথেদি দেশৰ আটাইতকৈ ভাল চিকিৎসকসকলে কঢ়িয়াই নিব লাগিব

২। তেওঁ যিমানবোৰ সম্পত্তি অৰ্জন কৰিছিল সেই সকলোবোৰ কফিনটোলৈ কৰা শোভাযাত্ৰাৰ সময়ত ৰাজপথত ছটিয়াই দি যাব লাগিব আৰু

৩। তেওঁৰ কফিনৰ পৰা হাত দুখন ৰাইজক দেখা কৈ উলিয়াই থ'ব লাগিব। আলেকজেণ্ডাৰৰ এই তিনিটা ইচ্ছাৰ যুক্তি হ'ল- প্ৰথম কথা, মৃত্যুৰ ওচৰত শ্ৰেষ্ঠ চিকিৎসকো ক্ষমতাহীন, দ্বিতীয়টো যুক্তি হ'ল বৈষয়িক সম্পত্তি পৃথিৱীতেই সংগ্ৰহ কৰা হয় আৰু পৃথিৱীতেই এৰি যাব লগা হয়। শেষৰটো যুক্তি হ'ল মানুহ পৃথিৱীলৈ আহোঁতে শুদা হাতেৰে আহে আৰু যাওঁতেও শুদা হাতেৰেই যাব লাগিব। মহাপ্ৰতাপী আলেকজেণ্ডাৰ দ্য গ্ৰেটে জীৱনৰ অন্তিম কালত এই শাশ্বত উপলব্ধিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। আচলতে এই পৃথিৱীত মানুহ হিচাপে জন্মলাভ কৰা সকলোৱে জীৱনৰ কালত লাভতেই থাকে। আনহাতে জীৱনৰ বিদায় পৰতো সকলোৱে নিজৰ লাভ ভাগ এৰি থৈ যাব লাগে। বিদায় পৰত কাৰ বেছি বা কাৰ কম লাভ হ'ল তাৰ বিচাৰ কৰা নহয়। মৃত্যুৰ পাছত ধনী-দুখীয়াৰ বিভেদৰো অন্ত পৰে। সকলো সমান হৈ পৰে। যেন এই সংসাৰত বিদায় পৰতহে প্ৰকৃত সাম্যবাদ (!) বিৰাজ কৰে।

সঁচা কথা ক'বলৈ হ'লে বৈষয়িক সুখ হ'ল বাহ্যিক সুখ। অন্তৰ্লীন সুখৰ সন্ধান কৰাটোহে প্ৰকৃত পথ। আচলতে অন্তৰ্লীন সুখৰ উৎপত্তি হয় ত্যাগ আৰু প্ৰেমৰ পৰা। ঈশ উপনিষদত আছে:

'ত্যক্তেন ভুঞ্জীথা'।

অৰ্থাৎ ত্যাগৰ জৰিয়তেহে ভোগ কৰা উচিত। ত্যাগত আনন্দ আৰু অকল ভোগত অশান্তি নিশ্চিত। তথাপিও বৈষয়িক জীৱনত আমি ভোগৰ তাড়নাত থাকোঁ। লোকৰ হিতৰ বাবে বিলাই দিব পৰাটো সকলোৰে বাবে সম্ভৱ নহয়। যিসকলে পাৰিছে, তেওঁলোকেহে বিলাই দিয়াৰ আনন্দ অনুভৱ কৰিব পাৰিছে। আকৌ সেই সকলেহে বিলাই দিয়াৰ আনন্দ অনুভৱ কৰিব পাৰে যিয়ে লোকক ভাল পাবলৈ শিকে। এই ভালপোৱা বৈষয়িক আকাংক্ষা আৰু আৱেগিক তথা দৈহিক ভালপোৱাৰ পোৱাৰ উৰ্ধত। এই ভালপোৱা হ'ব লাগিব Transcendental love বা Ecstatic love. যি ভালপোৱাই নিজকে 'মই'ৰ পৰা 'আমি' লৈকে উত্তৰণ ঘটাব পাৰে। এই ভালপোৱা হ'ব লাগিব Divine love. কোনো বিনিময় নোহোৱাকৈ ভালপোৱা। মাতৃৰ সৈতে সন্তানৰ ভালপোৱাৰ দৰে। দ্বিতীয়তে Transcendental loveৰ গুৰুত্ব উপলব্ধি কৰাটোও বৰ সহজ নহয়। তাৰ বাবে জীৱন সম্পৰ্কে উপলব্ধি কৰিব পাৰিব লাগিব। দেহ আৰু জীৱনৰ ধাৰণা স্পষ্ট হ'ব লাগিব। তাৰ বাবে শৰীৰক অতিক্ৰম কৰিব পৰা এক তাড়নাৰ প্ৰয়োজন। তেতিয়াহে জীৱকুলৰ মাজৰ সেই এৰাব নোৱাৰা সম্বন্ধৰ অনুভূতি জাগ্ৰত হ'ব। জীৱন যে অক্লান্ত, অপৰাজেয় সেই উপলব্ধি তেতিয়াহে প্ৰস্ফুটিত হ'ব।

বাইবেলত এযাৰ কথা আছে ঃ God loves cheerful giver. বিলাই দিয়াৰ আনন্দই আমাৰ জীৱন বিভিন্ন ধৰণে সমৃদ্ধ কৰিব পাৰে। ই আমাৰ সামাজিক সংযোগ ( Social connectedness) বৃদ্ধি কৰে, জীৱনক সঁচা অৰ্থত বুজিবলৈ শিকায়, বিশ্বাস বঢ়ায়, মানুহৰ মাজত সম্পৰ্ক সুদৃঢ় কৰে। বিলাই দিয়া কাৰ্যই ভগৱানকো সুখী কৰে বুলি আধ্যাত্মিক দৰ্শনত বিশ্বাসীসকলে অনুভৱ কৰে। ইংৰাজীত এটা প্ৰবচন আছে ঃ One who gives freely,yet gains even more; another withholds unduly but become to property.

এতিয়া আচল কথালৈ আহোঁ। আমি কি বিলাই দিব পাৰোঁ বাৰু? এই ক্ষেত্ৰত প্ৰথমতে আমাৰ মনলৈ আহিব অভাৱগ্ৰস্তজনক আৰ্থিকভাৱে সহায় কৰা বা আন প্ৰয়োজনীয় বস্তু দি সহায় কৰা। মহাত্মা গান্ধীয়ে কৈছিল ঃ আমি যিসকলে প্ৰয়োজনতকৈ বেছি বস্তু বা সম্পত্তি আহৰণ কৰোঁ সিও এক প্ৰকাশ চুৰি কাৰ্যৰ দৰেই। এই ক্ষেত্ৰত Dale Carnegie য়ে মহাত্মা গান্ধীৰ জীৱনকালত দিয়া এটি মন্তব্য মন কৰিবলগীয়া ঃ " Gandhiji seeking nothing for himself but is willing to die in order that others may live." গান্ধীৰ চিন্তাই নিশ্চয় আমাৰ সকলোকে আপ্লুত কৰে। গতিকে যিসকলে পাৰে নিজৰ প্ৰয়োজনতকৈ অধিকখিনি বা নিজৰ প্ৰয়োজনৰো কিয়দংশ অভাৱগ্ৰস্তজনক বিলাই দি আনন্দ লভিব পাৰে। এই অনুশীলন আমাৰ মানৱ সমাজত কম পৰিমাণে হ'লেও নথকা নহয়। অনেক ত্যাগী ব্যক্তিৰ অনেক উদাহৰণ আমাৰ সমাজত আছে। সেই বিষয়ৰ আলাপ এই আলোচনাত কৰিব বিচৰা নাই। কিন্তু বিলাই দি আনন্দ পাব পৰা বস্তু কেৱল অৰ্থ বা সামগ্ৰীয়েই নহয়।

অৰ্থ বা সামগ্ৰীৰ বাহিৰেও আমি আন কিছুমান দিব পৰা বস্তুৰ ক্ষেত্ৰতো কৃপণালি কৰোঁ। বা তেনে বস্তু দি আনন্দ লাভৰ সুযোগ ল'ব নোৱাৰোঁ। অৰ্থৰ বিপৰীতে আমি বিলাই আনন্দ লাভ কৰিব পৰা এবিধ হ'ল আনক সেৱা (Service) দিয়া। সেৱাৰ গুৰুত্ব কিমান সেই কথা খলীল জীব্ৰানৰ এটি উক্তিৰ পৰা ভালদৰে উপলব্ধি কৰিব পাৰোঁ। তেওঁ কৈছিল ঃ " I slept and I dreamed that life is all joy. I woke and I saw that life is all service. I served and I saw that service is Joy". অৰ্থাৎ মানৱ সেৱাই আনন্দ। মানৱ সেৱাই ধৰ্ম। আমি সেৱাৰ পৰা বিনিময় বিচাৰিলে সেই সেৱাৰ পৰা আনন্দ অনুভৱ নহয়। কিন্তু আনহে নালাগে ভগৱানৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ বাবদ আমি নিজৰ কিমান যে ইচ্ছা ভগৱানে পূৰ্ণ কৰিবলৈ দাবী কৰি থওঁ সেইবোৰ কথা মন কৰিবলগীয়া। আজিকালি কিছুমান মন্দিৰ বা দেৱালয়ত দান-বৰঙণি দিলে কি উদ্দেশ্যে দিয়া হৈছে, ৰচিতত বোলে উল্লেখো থাকে। যেনে কৰোবাৰ জন্মদিন, কাৰোবাৰ চাকৰি, কাৰোবাৰ বিয়া আদি নানান উদ্দেশ্যে আগত ৰাখি মানুহে ভগৱানৰ ওচৰলৈ যায়। আকৌ ভগৱানক সহজতে লগ পাবলৈও বহু ক্ষেত্ৰত টকাৰ প্ৰয়োজন। মানে কিছুমান স্পেচিয়েল গেট থাকে, সেই গেটেৰে গ'লে সোনকালে মন্দিৰত প্ৰৱেশ কৰি ঈশ্বৰক পাব পাৰি। সেই কুপনখন কিন্তু খৰচী। নহ'লে ভগৱানৰ মন্দিৰত সোমাবলৈ শাৰীত পৰ দি থাকিব লাগিব। তাতে আকৌ ভিভিআইপিয়ে ভগৱানক লগ কৰাৰো বিশেষ উজু সুবিধা থাকে। এই সেৱাৰ প্ৰকৃতি অৱশ্যে বেলেগ। এতিয়া আন দুটামান কথালৈ আহোঁ।

আধুনিক মানুহ সময় আকলুৱা। টকা-পইছা দিব পাৰিলেও বহুতে আনক সময় দিবলৈ টান পায়। আচলতে মানুহক প্ৰয়োজনত বা বিপদত সময় দি বিমল আনন্দ ল'ব পাৰি ইয়াৰ ফলত দিওঁতা আৰু লওঁতা উভয়েই আনন্দ লভিব পাৰে। এই প্ৰসংগত লৰ্ড চেষ্টাৰফিল্ডৰ এযাৰ কথা প্ৰণিধানযোগ্য। তেওঁ কৈছিল ঃ 'যি মানুহৰ হাতত প্ৰচুৰ সময় থাকে, তেওঁলোকে কাম কৰিবলৈ সময় নাপায়। যিসকলৰ সময় কম থাকে, তেওঁলোকৰ কিন্তু কাম কৰিবলৈ সময়ৰ অভাৱ নহয়।' আমি মানুহক বিলাই দি আনন্দ অনুভৱ কৰিব পৰা আন এটা বস্তু হ'ল মানুহক প্ৰশংসা কৰিব পৰাটো। এই প্ৰশংসা অৱশ্যে তেলীয়া (!) হ'ব নালাগিব। কোনোৱে কৰা ভাল কামৰ প্ৰশংসা কৰিব লাগে। কিন্তু আমি বহুতে লোকৰ ভাল দেখিও প্ৰশংসা নকৰোঁ। মানুহক বিলাই দি আনন্দ লাভ কৰিব পৰা অন্য এটা বস্তু হ'ল কৃতজ্ঞতা জ্ঞাপন কৰা বা ধন্যবাদ জ্ঞাপন কৰা। আমি জীৱনত ক'ব নোৱাৰাকৈয়ে বা পোনপটীয়াকৈ মানুহৰ বহু ধৰণৰ সহায় পাওঁ। কিন্তু সেইসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ বা ধন্যবাদ জ্ঞাপন নকৰোঁ। হাঁহি হ'ল মানুহক বিলাই আনন্দ পাব পৰা আন এটা বস্তু। মানুহক সাধু বচনেৰে সমৃদ্ধ কৰিব পৰাটোও আমাৰ বাবে আনন্দৰ সমল। তেনে বচনে মন প্ৰফুল্ল কৰি তোলে। আনহাতে নিজৰ দক্ষতাৰে (Expertise) আনক সহায় কৰি দিব পৰাটোতো বিমল আনন্দ পোৱা যায়। শেষত স্বামী বিবেকানন্দৰ এটি বাণীৰে আলোচনাৰ সামৰিলোঁ। "It is not the receiver that is blessed, but it is the giver. Be thankful that you are allowed to exercise your power of benevolence and mercy in the world,and thus become pure and perfect. All good acts tends to make us pure and perfect.'

মবাইল ঃ ৯৮৫৯২-৬৩৯৭৩

# অসম সাহিত্য সভাৰ সভাপতিক বিপুল আদৰণি নগাঁও জিলা সাহিত্য সভাৰ

## অসম সাহিত্য সভা প্ৰসংগত বিভিন্ন পৰিকল্পনা সম্পৰ্কে ঘোষণা সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলা সাহিত্য সভাৰ লগতে বিভিন্ন শাখাই অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক যোৱা ২৩ ফেব্ৰুৱাৰীত নগাঁও জিলা সাহিত্য সভাৰ কমলা দেৱী তোদী স্মৃতি ভৱনত বিপুলভাৱে আদৰণি জনায়। অসম সাহিত্য সভাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰলৈ নগাঁৱলৈ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে অহা সভাপতি ড° গোস্বামীক বিয়লি নগাঁও জিলা সাহিত্য সভা ভৱনত আয়োজিত এক অনুষ্ঠানত উষ্ম আদৰণি জনোৱা হয়। প্ৰথমে নগাঁও জিলা সাহিত্য সভাৰ তৰফৰ পৰা গামোচা, চেলেং, জাপি, প্ৰশস্তি পত্ৰৰে গোস্বামীক সম্বৰ্ধনা জনোৱাৰ পিছতে বিশিষ্ট গৱেষক, ভাষাবিদ, পণ্ডিত ড° বসন্ত কুমাৰ গোস্বামীক ধিং শতদল শাখা, কছলুখোৱা স্বৰ্ণ শাখা, কামপুৰ শাখা, উপাসনা স্বৰ্ণ শাখা, জাজৰি শতদল শাখা, কলংপৰীয়া শতদল শাখা, নৰৰূপ জাতীয় বিদ্যাপীঠ শাখা, কাছমাৰী আঞ্চলিক শাখা, বঢ়মপুৰ শাখা, আমোলাপট্টি শাখা, পুৱণিগুদাম শাখা আদিৰ ফালৰ পৰাও গামোচা, চেলেং, জাপি, গ্ৰন্থ আদিৰে সম্বৰ্ধনা জনায়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে কয়- অসমৰ ৰাইজে আমাৰ ওপৰত সভাপতি হিচাপে সাহিত্য সভাৰ উত্তৰণৰ বাবে প্ৰকাশ কৰা আস্থা আৰু বিশ্বাস মই যথাৰ্থভাৱে পালন কৰাৰ প্ৰয়াস কৰিম। অসম সাহিত্য সভাৰ সভাপতিৰ আসনখনৰ সুকীয়া মৰ্যাদা আছে। মই এই মৰ্যাদা ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। বিগত সময়ত সাহিত্য সভাক লৈ বিভিন্ন বিতৰ্ক হোৱাৰ প্ৰসঙ্গ উল্লেখ কৰি তেওঁ কয় যে অসম সাহিত্য সভাত এতিয়াৰ পৰা কিছুমান সংস্কাৰ হ'ব। ছদ্মবেশী আৰু কেৱল ভোট দিবলৈ থকা শাখাবোৰ বন্ধ কৰা হ'ব। সাহিত্য সভালৈ কেৱল পদবী বিচাৰি অহা মানুহবোৰক আৰু প্ৰশ্ৰয় দিয়া নহ'ব। সাহিত্য সভাৰ মজিয়াত অহংকাৰ আৰু ক্ষমতাৰ পৰিৱেশ নাইকিয়া হ'ব বুলি ড° গোস্বামীয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সাহিত্য সভাত সততে উত্থাপিত বিত্তীয় অনিয়মৰ কথা উল্লেখ কৰি সভাপতি গৰাকীয়ে কয় যে এতিয়াৰ পৰা বিত্তীয় অনিয়ম যাতে নহয় তাৰ এক সঠিক পদ্ধতি গ্ৰহণ কৰা হ'ব। অসম সাহিত্য সভাৰ নীতি-নিয়ম কঠোৰভাৱে পালন কৰাৰ ইংগিত প্ৰদান কৰি ড° গোস্বামীয়ে কয় যে সাহিত্য সভাক গতিশীল কৰি তুলিব লাগিব। শাখা, জিলা আৰু অসম সাহিত্য সভাই এই দিশত কাম কৰিব লাগিব। তেওঁ লগতে কয় যে এতিয়াৰ পৰা অসম সাহিত্য সভাৰ বঁটা প্ৰদানৰ ক্ষেত্ৰত সঠিক পদ্ধতি অৱলম্বন কৰা হ'ব যাতে বঁটা প্ৰদানক লৈ কোনো বিতৰ্ক হ'ব নোৱাৰে। ইয়াৰ বাবে এখন সমিতি গঠন কৰা হ'ব। নৱ প্ৰজন্মক সাহিত্য সৃষ্টিৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে নৱপ্ৰজন্মক অসম সাহিত্য সভাৰ কাষলৈ আনিব লাগিব। মুঠতে সাহিত্য সভাৰ হৃত গৌৰৱ আমি উদ্ধাৰ কৰিবলৈ সংকল্পবদ্ধ। জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই সাৱলীলভাৱে আঁত ধৰি আগবঢ়াই নিয়া সভাখন জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে থগিত মহন্ত, ৰতিমোহন নাথ, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অসম সাহিত্য সভাৰ প্ৰধান সচিব অশোক কুমাৰ সেনাপতি, অধ্যাপক ড° তুফেন জিলানী, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক বেৰত হাজৰিকা, প্ৰাক্তন আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকা, পিনাকী ভূষণ মহন্ত আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ড° গোস্বামীক সন্থাৰ তৰফৰ পৰা বিপুল আদৰণি জনোৱা হয়। অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে সন্থাৰ প্ৰধান সম্পাদক খগেন নাথে।

# অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ উদ্যোগত ৰাঙলুত দুদিনীয়া কৰ্মশালা সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁৱৰ ৰাঙলুস্থিত গ্ৰাম বিকাশ পৰিষদৰ প্ৰেক্ষাগৃহত যোৱা ১৯ আৰু ২০ জানুৱাৰীত কেঁচুসাৰ প্ৰস্তুত আৰু ব্যৱহাৰ, পেলনীয়া সামগ্ৰী পুনৰ ব্যৱহাৰৰ লগতে বৰষুণৰ পানী সংৰক্ষণৰ এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা কৰ্মশালাখনি উদ্বোধন কৰে জিলা মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰিয়াই। কৰ্মশালাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে কঠীয়াতলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক নজিবুৰ ৰহমান আৰু কঠীয়াতলী প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰা, জিলা বিজ্ঞান অনুসন্ধান কেন্দ্ৰৰ সমন্বয়ক ভবেন বৰাই। কৰ্মশালাৰ আঁত ধৰে ৰাজ্যিক সমল সমন্বয়ক মাধুৰ্য বৰাই। ৰাজ্যিক সমল ব্যক্তি হিচাপে কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰা বিজয়ানন্দ বৰাই কেঁচুসাৰ প্ৰস্তুত কৰাৰ উপায় সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰাৰ লগতে ইউৰীয়া আৰু ৰাসায়নিক সাৰে জনস্বাস্থ্যৰ প্ৰতি অহা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি কেঁচুসাৰ উৎপাদন কৰি শাক-পাচলি আদিত ব্যৱহাৰ কৰিলে আমি উপকৃত হ'মহক আৰু সেই লক্ষ্যৰে প্ৰতিখন বিদ্যালয়তে ইক'ক্লাৱৰ জৰিয়তে কিছু আৰ্থিক অনুদান দি কেঁচুসাৰ প্ৰয়োগ কৰি শস্য উৎপাদন কৰাৰ প্ৰকল্প হাতত ল'বলৈ শিক্ষাৰ্থীৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা হৈছে। আঁচনিখনৰ জৰিয়তে চহৰৰ গেলা-পঁচা আৱৰ্জনাবোৰ সংগ্ৰহ কৰি ভূমি প্ৰদূষণৰ পৰা ৰক্ষা কৰাৰ লগতে তাৰ পৰা কেঁচুসাৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব। ইক' ক্লাৱৰ জৰিয়তে শিক্ষক দিবন বৰা, মায়ামণি বৰা, দেৱজিৎ শইকীয়াই ভাল ফল পোৱাৰ কথা অৱগত কৰে। কৰ্মশালাত গ্ৰাম বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা ছিৰাজউদ্দিন আহমেদ উপস্থিত থাকি বিষয় সন্দৰ্ভত সাৰুৱা মন্তব্য আগবঢ়ায়। লগতে তেওঁৰ নেতৃত্বত অসমৰ ১৪ খন জিলাত জনসাধাৰণৰ বাবে সেৱা আগবঢ়াই অহাৰ লগতে গ্ৰাম বিকাশ পৰিষদৰ দ্বাৰা ১৫০ গৰাকী কৰ্মচাৰীক সংস্থাপন দিবলৈ সক্ষম হোৱা বুলি মন্তব্য কৰে। তেওঁ ঘোষণা কৰে যে গ্ৰাম বিকাশ পৰিষদৰ জৰিয়তে অসহায় বৃদ্ধ-বৃদ্ধা, অনাথ আশ্ৰমত নিচাসক্তসকলৰ চিকিৎসা আৰু অন্যান্য সেৱা আগবঢ়াই অহা হৈছে। অহা ২৫ ফেব্ৰুৱাৰীত গ্ৰাম বিকাশ পৰিষদৰ উদ্যোগত বিশেষভাৱে সক্ষম লোকসকলক সহায়ক সজুঁলি বিতৰণৰ এক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। প্ৰয়োজনবোধ কৰা লোকসকলে আধাৰ কাৰ্ড আৰু বিশেষভাৱে সক্ষমতাৰ প্ৰমাণ-পত্ৰ লৈ সেইদিনা উপস্থিত হৈ সজুঁলিসমূহ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে গ্ৰাম বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা ছিৰাজউদ্দিন আহমেদে। ইফালে, ২০ ফেব্ৰুৱাৰীত অৰ্থাৎ দ্বিতীয় দিনৰ কাৰ্যসূচীত ক্ষেত্ৰ ভ্ৰমণৰ বাবে প্ৰশিক্ষাৰ্থী অভিজ্ঞতা অৰ্জনৰ বাবে শেনচোৱা সাৰ প্ৰস্তুতকৰণ প্ৰকল্পলৈ গৈ পুনৰ ৰাঙলু গ্ৰাম বিকাশ পৰিষদলৈ আহি কাৰ্যসূচী ৰূপায়ণ কৰে ৰাজ্যিক সমল ব্যক্তি পিংকু বৰাই। বৰষুণৰ পানী সংৰক্ষণৰ বিষয়ে আলোচনা কৰাৰ অন্তত ক্ষেত্ৰ ভ্ৰমণৰ অভিজ্ঞতা সম্পৰ্কে প্ৰশিক্ষাৰ্থীসকলৰ পৰা পোৱা যোগাত্মক মন্তব্যই সকলোকে প্ৰশিক্ষণৰ সফলতা লাভৰ ইংগিত দিয়ে। এই কাৰ্যসূচীত কঠীয়াতলী খণ্ড উন্নয়ন বিষয়া শ্বেতাপদ্মা শৰ্মাৰ উপস্থিতিয়ে কৰ্মশালাখনি অধিক প্ৰাণৱন্ত কৰি তোলে। তেওঁ কয় যে জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা ৰাসায়নিক সাৰৰ সলনি কেঁচুসাৰ প্ৰস্তুত কৰি কৃষি শস্যত প্ৰয়োগ কৰিব পাৰিলে মানুহ বহুত ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি। অনুষ্ঠানৰ শেষত অংশগ্ৰহণকাৰীসকলক একোখনকৈ প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।

# শিৱসাগৰত অনুষ্ঠিত বৰদলৈ ট্ৰফী-২০২৫ৰ উজনি অসম মণ্ডুলত বাৰেকুৰী এফ চি চেম্পিয়ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত, শিৱসাগৰ ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হোৱা ৭০তম্ ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী-২০২৫ৰ ক্লাস্তাৰ-১, উজনি অসম মণ্ডুলৰ চূড়ান্ত খেলত ২৩ ফেব্ৰুৱাৰী, দেওবাৰে তিনিচুকীয়াৰ বাৰেকুৰী ফুটবল ক্লাৱে ডিব্ৰুগড়ৰ ১৯ এ পি বি এন ফুটবল দলক ১-০ গলত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। শিৱসাগৰ নগৰৰ পিয়লি ফুকন ষ্টেডিয়ামত ১৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা এই প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ময়ুখ গগৈয়ে প্ৰথমাৰ্দ্ধৰ ৩০ মিনিটত দিয়া অতি দৰ্শনীয় গ'লেৰে বাৰেকুৰীক অগ্ৰগতি প্ৰদান কৰে। এই অগ্ৰগতিৰ পিছতেই দুয়োটা দলেই আক্ৰমণ-প্ৰতি আক্ৰমণেৰে খেলখনৰ উত্তেজনা বৃদ্ধি কৰে যদিও কোনো দলেই গ'ল দিবলৈ সক্ষম নহ'ল। খেলৰ দ্বিতীয়াৰ্দ্ধটো দুয়োটা দলেই কেইবাটাও সুযোগৰ অপচয় কৰে। বিশেষকৈ বাৰেকুৰীৰ গল-ৰক্ষকজনে অতি সুন্দৰ প্ৰদৰ্শনেৰে নিজ দলৰ জয়ত অৰিহণা আগবঢ়োৱা পৰিলক্ষিত হয়। গুৱাহাটী ক্ৰীড়া সন্থাৰ ক্ৰিকেট বিভাগৰ সম্পাদক নাচিৰ গুল খানে উদ্বোধন কৰা চূড়ান্ত খেলখনত সন্মানীয় অতিথিৰূপে বৰদলৈ ট্ৰফী-২০২৫ৰ উজনি অসম মণ্ডুলৰ অধ্যক্ষ ৰমেন দত্ত, প্ৰতিযোগিতাৰ পৰ্যবেক্ষক মুক্তাবুদ হুছেইন, বৰদলৈ ট্ৰফীৰ প্ৰাক্তন খেলুৱৈ কিৰণ কোঁৱৰ আৰু নিপেন বৰগোঁহাই উপস্থিত থাকে। লাকী ৰঞ্জন গগৈ, পৰিমল বুঢ়াগোহাঁই আৰু কৃতাৰ্থ দত্তৰ সহযোগত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰেফাৰী ৰিপুনাথ গগৈয়ে পৰিচালনা কৰা চূড়ান্ত খেলৰ বিজয়ী আৰু বিজিত দলক উল্লেখিত অতিথিসকলৰ লগতে শিৱসাগৰ ক্ৰীড়া সন্থাৰ বিষয়-ববীয়াসকলে বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাখনত অতি সুন্দৰ খেল প্ৰদৰ্শন কৰাৰ লগতে ছেমি-ফাইনেলত হেট্ৰিক কৰা ১৯ এ পি বি এনৰ খেলুৱৈ চাইনিং চাংমাই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। এই প্ৰতিযোগিতাত বিজয়ী আৰু বিজিত দুয়োটা দলেই গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া বৰদলৈ ট্ৰফী-২০২৫ৰ মূল প্ৰতিযোগিতাত উজনি অসম মণ্ডুলক প্ৰতিনিধিত্ব কৰিব।

# কলংপৰীয়া শাখা সাহিত্য সভাৰ 'সাঁকো আলোচনা চক্ৰ'ৰ পঞ্চবিংশতিতম বৈঠক সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী শতদল শাখা তথা শেহতীয়াকৈ 'নগাঁও জিলা সাহিত্য সভা'ৰ দ্বাৰা শ্ৰেষ্ঠ শাখাৰ স্বীকৃতিপ্ৰাপ্ত 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উদ্যোগত 'সাঁকো আলোচনা চক্ৰ'ৰ ব্যৱস্থাপনাত যোৱা ২৩ ফেব্ৰুৱাৰীত বিয়লি চতুৰ্থ বৰ্ষৰ প্ৰথমখন তথা পঞ্চবিংশতিতম বৈঠকখনি অনুষ্ঠিত হৈ যায়। 'সাঁকো আলোচনা চক্ৰ'ৰ নতুন সভানেত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিন্টু দাসৰ সঞ্চালনাত 'সাহিত্যৰ মৌপান চোতালে চোতালে' শীৰ্ষক এইবাৰৰ মাহেকীয়া সাহিত্যানুষ্ঠানটি 'কলংপৰীয়া শাখা সাহিত্য সভ'ৰ নতুন সভাপতি, লেখক, শিল্পী গোলাপ বৰাৰ গোমোঠাগাঁওস্থিত বাসগৃহ প্ৰাংগণত অনুষ্ঠিত হয়। 'সাঁকো আলোচনা চক্ৰ'ৰ সম্পাদক বসন্ত কৌশিক ভাগৱতীয়ে আঁত ধৰা এই অনুষ্ঠানত কবিতা পাঠ লেখক ক্ৰমে মালা বৰুৱা, ৰূবী বৰা, অমিয়া গোস্বামী, চিত্তৰঞ্জন বৰা, মন্টুল কুমাৰ শৰ্মা, গোলাপ বৰা (কনিষ্ঠ) আৰু দীপাংকৰ ভূঞাই। অনুষ্ঠানত প্ৰবন্ধ পাঠ কৰে খগেন্দ্ৰ নাথ আৰু নয়ন জ্যোতি নেওগে। বৈঠকত বিশিষ্ট নাট্যকৰ্মী তথা শেহতীয়াকৈ অসম চৰকাৰৰ শিল্পী সন্মানপ্ৰাপ্ত কমলেশ শইকীয়া আৰু নগাঁও জিলা সাহিত্য সভাৰ দ্বাৰা অলপতে শ্ৰেষ্ঠ সংগঠকৰ বঁটাপ্ৰাপ্ত কুমুদ চন্দ্ৰ বৰাক অভিনন্দন জনোৱা হয়। পঠিত লেখাসমূহৰ সমীক্ষা আগবঢ়ায় বিষয় শিক্ষক, বিশিষ্ট লেখক নয়নজ্যোতি নেওগে। 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতিদ্বয় নৰেন্দ্ৰ নাথ বৰা, শৈলেন্দ্ৰ গোস্বামী, প্ৰাক্তন সম্পাদক বিৰিঞ্চি কুমাৰ বৰা, উপ-সভাপতি কিৰণ নেওগ, যুটীয়া সম্পাদক, সাংবাদিক জয়ন্ত বৰা, কুঁহি উপ-সমিতিৰ সম্পাদক দিলীপ শইকীয়া প্ৰমুখ্যে যথেষ্ট সংখ্যক সাহিত্যানুৰাগীৰ উপস্থিতিয়ে জীপাল কৰি তোলা পৰিৱেশত এটি গীত পৰিৱেশন কৰে শিল্পী গোলাপ বৰাই।

# শিৱসাগৰত ৫১ গৰাকী বিনিয়োগকাৰীক সম্বৰ্ধনা জিলা প্ৰশাসনৰ

## এডভাণ্টেজ আছাম ২.০' উদ্বোধনী অনুষ্ঠান



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ বহু প্ৰতীক্ষিত 'এডভাণ্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ লগত সংগতি ৰাখি জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা বুজা-পৰাৰ চুক্তি স্বাক্ষৰ অনুষ্ঠান (MoU signing ceremony) ২৫ আৰু ২৬ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অনুষ্ঠিত হয়। ২৫ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে পুৱা ১০.৩০ বজাত গুৱাহাটীত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ লগতে অসম চৰকাৰৰ কৃষি বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগ, মীন বিভাগ, পৰ্যটন বিভাগ, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ জিলা পৰ্যায়ত বিনিয়োগ কৰিব বিচৰা বিনিয়োগকাৰীসকলে এই অনুষ্ঠানত অসম চৰকাৰৰ সৈতে হোৱা বুজাপৰা চুক্তিত স্বাক্ষৰ কৰে। উল্লেখ্য যে, শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহযোগত অনুষ্ঠিত হোৱা সভাত জিলাখনৰ মুঠ ৫১ গৰাকী বিনিয়োগকাৰীক জিলা আয়ুক্ত আয়ুস গৰ্গ, (ভাঃপ্ৰঃসেঃ) এ সম্বৰ্ধনা জনায়। জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা (অঃঅঃসেঃ) ই আদৰণি ভাষণ আগবঢ়োৱা উক্ত সভাত শিৱসাগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত মিনাক্ষী পাৰ্মেই (অঃঅঃসেঃ), নিৰ্বাচনী বিষয়া বৰ্ণালী খাটিৱাৰা (অঃঅঃসেঃ), সহকাৰী আয়ুক্ত গণেশ বড়ো (অঃঅঃসেঃ) আদি উপস্থিত থাকে।

# শুৱালকুছিত কেন্দ্ৰীয় চৰকাৰৰ জনমুখী বাজেট সম্পৰ্কত আলোচনা চক্ৰত ভবেশ কলিতা

## ভাৰতবৰ্ষত এতিয়া এখন গৰিমামণ্ডিত দেশলৈ পৰিৱৰ্তন হৈছে, এইবাৰৰ কেন্দ্ৰীয় চৰকাৰৰ বাজেটে গৰীৱ আৰু মধ্যবিত্তক যথেষ্ট সকাহ দিছে





**দিলীপ মেধি, শুৱালকুছি ঃ** ভাৰতীয় জনতা পাৰ্টি ৰাজ্যিক সমিতিৰ নিৰ্দেশমৰ্মে শুৱালকুছি মণ্ডলৰ মূখ্য কাৰ্যালয়ত দিনৰ ২ বজাৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ জনমুখী বাজেট ২০২৫-২০২৬ সম্পৰ্কত আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। উক্ত বাজেট আলোচনাচক্ৰৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব বিজেপিৰ অসম প্ৰদেশৰ প্ৰাক্তন সভাপতি তথা ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভবেশ কলিতাই কেন্দ্ৰীয় চৰকাৰৰ এইবাৰ বাজেটে গৰীৱ-দুখীয়া লগতে মধ্যবিত্ত শ্ৰেণীকো যথেষ্ট সকাহ দিছে বুলি উল্লেখ কৰি অৰ্থনৈতিক দিশত ভাৰত বহুদূৰ আগবাঢ়ি গৈ এখন গৰিমামণ্ডিত দেশলৈ পৰিৱৰ্তন হৈছে । তেওঁ পুনৰ কয় যে, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কৃষক, শিপিনী, গৰীৱ লোক আৰু শিক্ষা ব্যৱস্থাৰ নামত বাজেটত সৰ্বাধিক ধন ধাৰ্য কৰিছে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সঠিক ৰূপায়ণৰ বাবে বাজেটত ধন ধাৰ্য কৰি দেশৰ শিক্ষা ব্যৱস্থাক উন্নয়নৰ শিখৰলৈ নিয়াৰ প্ৰচেষ্টা লৈছে। দেশৰ গৰীৱ জনতাক বিনামূলীয়া ৰেচন যোগান ধৰি দুখীয়া ৰাইজক অৰ্থনৈতিক সকাহ দিছে। তেওঁ কয় যে 'জনতা জনাৰ্দন, নৰ ৰূপী নাৰায়ণ' গতিকে জনতাৰ হকে কাম কৰি দেশৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাইজৰ আশীৰ্বাদ লাভ কৰি একেৰাহে তৃতীয় বাৰৰ বাবে দেশ চলোৱাৰ সুবিধা লাভ কৰিছে। বৰ্তমানৰ বিজেপি চৰকাৰখনে সদায় জনহিতকৰ কাম কৰি থকাৰ বাবেই ৰাইজৰ আস্থাভাজন হ'বলৈ সক্ষম হৈছে। এইবাৰৰ বাজেটত পৰ্যটনত গুৰুত্ব দিয়া হৈছে। কিয়নো পৰ্যটক সকল আহিলে দেশ-ৰাজ্যৰ অৰ্থনৈতিক দিশ উন্নত হয়। হোটেল ব্যৱসায়ীৰ পৰা পান দোকানীলৈকে সকলোৰে ব্যৱসায় ভাল হয়। দেশ-ৰাজ্যত ধৰ্মীয় পৰ্যাটনস্থলী মুকলি কৰিলে যথেষ্ট লাভান্বিত হোৱাৰ সুযোগ থাকে বুলি উল্লেখ কৰি তেওঁ কয় যে, মোদী চৰকাৰে ভাৰতমালা, অসমমালা, সাগৰমালা আৰু পৰ্বতমালাৰ জৰিয়তে উন্নত যোগাযোগ ব্যৱস্থাৰ সৃষ্টি কৰিছে। যাৰ ফলত ১২ লেনযুক্ত পথ পাবলৈ সক্ষম হৈছে। অসমতো ৮ লেনযুক্ত পথ নিৰ্মাণ হোৱাত অসমৰ ৰাইজৰ গন্তব্যস্থানৰো সময় কমি আহিছে। পূৰ্বতে কংগ্ৰেছ চৰকাৰৰ দিনত পথ সমূহত কাঠৰ দলং আছিল। বৰ্তমান চৰকাৰৰ দিনত সেইবোৰ নাইকীয়া হৈ পকীৰ দলং হ'ল আৰু ৰাইজৰো সমস্যা কমি গ'ল। চিকিৎসাৰ নামতো বাজেটত বিপুল পৰিমাণৰ ধন ধাৰ্য কৰি দেশত উন্নতমানৰ চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হৈছে। অসমত এতিয়া জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় স্থাপন হোৱাৰ ব্যৱস্থা কৰা হৈছে। যিটো কথা কোনোৰে কাহানিও ভবা নাছিল। ২০১৬ চনলৈকে অসমত এমবিবিএচ চিট আছিল ৪৫০ টা । এতিয়া হৈছে ১৬০০ টা ।এতিয়া ডিজিটেল ইণ্ডিয়াৰ যুগ চলিছে আৰু আমি সকলোৱে বৰ্তমান গ্লাছৰ ঘৰত বসবাস কৰি আছো। আধাৰ লিংকৰ ব্যৱস্থা হোৱাৰ ফলত কোনোৱে বেনামীভাৱে সম্পত্তি কৰিব নোৱাৰা হ'ল। এই সকলো চিন্তা মোদী চৰকাৰৰ। এতিয়াৰ ল'ৰা-ছোৱালীয়ে পঢ়া অথবা চাকৰিৰ আবেদন ঘৰৰ পৰাই কৰিব পৰা হ'ল। আগতে বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় অথবা কাৰ্যালয়লৈকে যাব লাগিছিল। এইবাৰৰ বাজেটত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনত গুৰুত্ব দিয়া হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই উদ্যোগৰ বাবে চৰকাৰে চাবচিটি দিয়াৰো ব্যৱস্থা ৰাখিছে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰশীল আঁচনিৰ জৰিয়তে বহুত যুৱক-যুৱতী লাভান্বিত হৈছে বুলি উল্লেখ কৰি কয় যে ইয়ে অৰ্থনৈতিক ক্ষেত্ৰখনত যথেষ্ট সকাহ দিছে। আগৰ চৰকাৰৰ দিনত সকলো আঁচনি এটা পৰিয়ালৰ ব্যক্তিসকলৰ নামত উৎসৰ্গিত আছিল। যেনে ইন্দিৰা আৱাস যোজনা, ৰাজীৱ গান্ধী অভয়াৰণ্য, ৰাজীৱ চক ইত্যাদি। কিন্তু এতিয়া সেইবোৰ সলনি হ'ল। এতিয়া প্ৰধানমন্ত্ৰী আৱাস গৃহ হ'ল, ওৰাং অভয়াৰণ্য হ'ল। এই পৰিয়ালটোৱে দেশখন কাটি টুকুৰা টুকুৰী কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে কংগ্ৰেছ হাতখন গৰীৱৰ টেটু চেপা হাত। সেই হাতখন অভিশপ্ত। ৰাইজে ইয়াক পাহৰি পেলাওক। তেওঁ অসমৰ নামৰূপৰ সাৰ কাৰখানা, ছেমিকণ্ডাক্টৰৰ বাবেও বাজেট ধন নিৰ্ধাৰণ কৰাৰ কথা উল্লেখ কৰি ইয়াৰ বাবে মোদী চৰকাৰৰ ধন্যবাদ দিয়ে। মোদী চৰকাৰে গাঁও আৰু চহৰৰ পাৰ্থক্য সম্পূৰ্ণ সলনি কৰাৰ কথা উল্লেখ কৰি কয় যে শুৱালকুছি অৰ্থনৈতিক দিশত এখন উন্নত গাঁও। ইয়াত যথেষ্ট অৰ্থনৈতিক দিশৰ সম্ভাৱনা আছে। শুৱালকুছিৰ মানুহে কেতিয়াও শিপা নেহেৰুৱাব। ইয়াত প্ৰায় ১০-১২ বেংক আছে। এইখন এখন ব্যৱসায়িক ক্ষেত্ৰ। এইবাৰৰ বাজেটত হস্ততাঁত বস্ত্ৰশিল্পত সৰ্বাধিক ধন ধাৰ্য্য কৰিছে। লোকেল ফৰ ভোকেলত গুৰুত্ব দিয়া হৈছে বুলি বাজেট সন্দৰ্ভত বিস্তৃতভাৱে উল্লেখ কৰি এক প্ৰাঞ্জল ভাষণ প্ৰদান কৰে। আলোচনাত ভাগ লৈ মহিলা মৰ্চা অসম ৰাজ্যিকৰ প্ৰাক্তন সভানেত্ৰী অপৰাজিতা ভূঞাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰেৰণ কৰিবলগীয়া এখন অভিনন্দন পত্ৰ পাঠ কৰি শুনায়। সমজুৱাৰ ফালৰ পৰা অধ্যাপক দীপেন্দ্ৰ কুমাৰ শৰ্মাৰ লগতে কেবাজনে বাজেট সন্দৰ্ভত কিছু বক্তব্য আগবঢ়ায়। উক্ত আলোচনাচক্ৰত উপস্থিত থাকে বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি ভাস্কৰজ্যোতি কলিতা আৰু শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্ত।

# উৰিয়া গাঁও এক বৃহৎ ব্যৱসায়িক কেন্দ্ৰ স্থল হ'বলৈ গৈ আছে ঃ বিধায়ক ৰূপক শৰ্মা

## নগাঁৰৰ উৰিয়া গাঁৱত ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ দ্বি-বাৰ্ষিক বিশেষ সাধাৰণ সভা সম্পন্ন, সংগঠিত শক্তি, ত্যাগ আৰু সেৱাৰ জৰিয়তেহে মানুহ মহীয়ান হয় ঃ প্ৰকাশ মহন্ত



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ দ্বি-বাৰ্ষিক বিশেষ সাধাৰণ সভাখন যোৱা ২৩ জানুৱাৰীত উৰিয়া গাঁও খেলপথাৰত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা পতাকা উত্তোলন কৰে উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সভাপতি প্ৰভাত বৰাই। শ্বহীদ তৰ্পণ কৰে সন্থাৰ সম্পাদক ৰূপৰাম হাজৰিকাই। ইয়াৰ পিছতে দ্বি বাৰ্ষিক বিশেষ সাধাৰণ সভাখন অনুষ্ঠিত হয়। সন্থাৰ সভাপতি প্ৰভাত বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কয়-উৰিয়া গাঁও খেলপথাৰখনৰ লগত অঞ্চলটোৰ ৰাইজৰ আৱেগ জড়িত হৈ আছে। এই খেলপথাৰখন এ, জে, ৱাই. চি. পি, স্থানীয় কেইবাগৰাকী ব্যক্তি আৰু ৰাইজৰ সন্মিলিত প্ৰচেষ্টাৰ যোগেদি পুনৰ উদ্ধাৰ কৰাৰ ক্ষেত্ৰত যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা হ'ল, এইয়া সঁচাকৈয়ে যোগাত্মক দিশ। ভাষণত বিধায়ক গৰাকীয়ে আৰু কয়-উৰিয়া গাঁৱৰ প্ৰত্যেক গৰাকী থলুৱা ব্যৱসায়ী। থলুৱা ব্যৱসায়ীৰ স্বাৰ্থত প্ৰতিটো মুহূৰ্তত আমি থিয় দিমেই। এইটো নাহাই হওক, যোনেই নহওক। ইয়াত আমাক কোনেও অলপো ইফাল-সিফাল কৰিব নোৱাৰে। আমি সদায় আপোনালোকৰ লগত আছো। সন্থাৰ সম্পাদক ৰূপৰাম হাজৰিকাই উদ্দেশ্য বাখ্যা কৰা সভাখনত বিধায়ক শৰ্মাই আৰু কয়-উৰিয়া গাঁও অঞ্চলটো এক বৃহৎ ব্যৱসায়িক কেন্দ্ৰস্থল হ'বলৈ গৈ আছে। উৰিয়া গাঁও খেলপথাৰখনক মিনি ষ্টেডিয়ামলৈ ৰূপান্তৰিত কৰাৰ উপৰিও থলুৱা ব্যৱসায়ীসকলৰ বাবে দোকান নিৰ্মাণ কৰি দিয়া হ'ব। ভৱিষ্যতে নগাঁও জিলাক পৰ্যটকৰ আকৰ্ষণীয় স্থলী হিচাপে গঢ় দিয়াৰ হেঁপাহ থকাৰ বিষয়ে উল্লেখ কৰি বিধায়ক গৰাকীয়ে ভাষণত আৰু কয়-ইতিমধ্যে কৰৈয়নী বাৰগঞা মন্দিৰৰ পুনৰ নিৰ্মাণৰ কাম মুখ্যমন্ত্ৰীয়ে আগবঢ়োৱা পুঁজিৰ জৰিয়তে পূৰ্ণগতিত চলি আছে। নগাঁৱত এখন ভূপেন হাজৰিকা কলাক্ষেত্ৰ নিৰ্মাণৰ কাম কৰি থকা হৈছে। বটদ্ৰৱাত এটা বৃহৎ সংস্কৃতিক প্ৰকল্পৰ কাম চলি আছে। তাত এখন উদ্যান নিৰ্মাণ কৰি থকা গৈছে। এই সকলোবোৰ কাম সম্পূৰ্ণ হৈ উঠিলে জিলাখনলৈ পৰ্যটকৰ আগমণ ঘটিব। ভাষণ প্ৰসংগত বিধায়কগৰাকীয়ে নিবনুৱাসকলক সংস্থাপিত কৰাৰ বাবে প্ৰৱৰ্তন কৰা চৰকাৰৰ উদ্যমীতা আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰাৰ উপৰিও উৰিয়া গাঁৱত নিৰ্মাণ হ'ব লগা ৰজা খেদা নগঞা 'সিন্ধুৰা হাজৰিকা'ৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে এখন নিৰ্মাণ সমিতি গঠন কৰাৰ পোষকতা কৰে। সভাত অসমীয়া প্ৰতিদিন কাকতৰ সহযোগী সম্পাদক তথা সন্থাৰ উপদেষ্টা প্ৰকাশ মহন্তই ভাষণত কয়-উৰিয়া গাঁও অঞ্চলৰ এটা ইতিহাস আছে। দীৰ্ঘদিন ধৰি পৰিত্যক্ত অৱস্থাত থকা উৰিয়া গাঁও খেলপথাৰখন ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণৰ অধীনলৈ কাগজ কলমে গুচি যোৱাৰ পিছত উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতি, এ. জে. ৱাই. চি. পি, ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাই পুনৰ খেলপথাৰখনক জীৱিত কৰি তুলিলে। বিগত সময়ত যিখন খেলপথাৰত ফুটবল, ক্ৰিকেট, বিহুৰ অনুষ্ঠান আদি হৈছে। উৰিয়া গাঁও অঞ্চলৰ ৰাইজৰ সংগঠিত শক্তিৰ বাবে খেল পথাৰখনে পুনৰ প্ৰাণ পাই উঠিছে। আপোনালোক অবিচল থাকক, একত্ৰিত হৈ থাকক। সংগঠিত শক্তি, ত্যাগ আৰু সেৱাৰ জৰিয়তেহে মানুহ মহীয়ান হয়। আপোনালোকে নিজকে কেতিয়াও দুৰ্বল বুলি নাভাবিব। দুৰ্বল বুলি ভাবিলে শক্তিশালীয়ে হেঁচা মাৰি ধৰিব। সভাত ভাষণ প্ৰসংগত সাংবাদিক মহন্তই আৰু কয়-সমাজ তথা ৰাইজৰ প্ৰতি সমৰ্পিত মনোভাৱ থাকিলে মানুহ উচ্চ ডিগ্ৰীধাৰী হ'ব নালাগে। এই ক্ষেত্ৰত ব্ৰেইল লিপিৰ উদ্ভাৱক লুই ব্ৰেইলৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয়- লুই ব্ৰেইল এজন দৃষ্টিহীন মানুহ। দুৰ্ঘটনাত তেওঁ দৃষ্টি শক্তি হেৰুৱাইছিল। অষ্টম শ্ৰেণীলৈকে লুই ব্ৰেইলে পঢ়িছিল। কিন্তু মাত্ৰ ২৪ বছৰ বয়সতে তেওঁ ব্ৰেইল লিপি উলিয়াইছিল। লুই ব্ৰেইলৰ নামেৰে উলিওৱা সেই কিতাপখন এতিয়া সমগ্ৰ বিশ্বতে চলে। ভাষণত প্ৰসংগত তেওঁ স্থানীয় মহিলাসকলক নিজৰ ব্যৱসায়িক কৰ্মৰ উপৰিও অসমীয়াৰ স্বাভিমান গামোছা বোৱা কামত নিয়োজিত হৈ উৰিয়া গাঁৱত এখন থলুৱা বজাৰৰ সৃষ্টি কৰিবৰ বাবে আহ্বান জনায়। সভাত বিশিষ্ট সমাজকৰ্মী সুৰেশ বৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰবাল শৰ্মাই থলুৱা ব্যৱসায়ীসকলৰ সুৰক্ষাৰ বাবে সদায় কাম কৰি যাব বুলি ভাষণত উল্লেখ কৰে। সভাত কলংপৰীয়া বাৰগঞা সমাজৰ সভাপতি দিলীপ বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ন চন্দ্ৰ বনিয়া, উৰিয়া গাঁও গাঁও পঞ্চায়তৰ সচিব ক্ষীৰোদ বৰফুকনে ভাষণ প্ৰদান কৰে। সভাত সৰ্বসন্মতিক্ৰমে আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে প্ৰভাত বৰাক সভাপতি আৰু ৰূপৰাম হাজৰিকাক সম্পাদক হিচাপে লৈ উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ এখন শক্তিশালী সমিতি গঠন কৰা হয়। সভাত বিশিষ্ট নাট্যকৰ্মী কমলেশ শইকীয়া, সমাজকৰ্মী ক্ষীৰ কান্ত শৰ্মা, কিৰণ কুমাৰ নেওগ, উৰিয়া গাঁও আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়া, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰবোধ কুমাৰ বৰা, বিশিষ্ট নাট্যকাৰ নৱজ্যোতি বৰা, পদুম বৰুৱা, জিতু মনি বৰা, দিগন্ত দাস, ৰাজ হাজৰিকা আদি উপস্থিত থাকে। সভাত সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰা হয়।




Janasanyog RO no 4611/24/28-Feb-25

# প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াৰ সহধৰ্মিনী লাৱণ্য শইকীয়াৰ জীৱনাৱসান

## বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ শোক



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ৰাজ্যখনৰ প্ৰথিতযশা সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষ স্ৰষ্টা ড° নগেন শইকীয়াৰ সহধৰ্মিনী তথা এগৰাকী মমতাময়ী আদৰ্শ মাতৃ লাৱণ্য শইকীয়া ২৩-২-২৫ তাৰিখে পুৱা ৭.৪৫ বজাত ৮৩ বছৰ বয়সত ডিব্ৰুগড়ত পৰলোকপ্ৰাপ্তি ঘটে। বিগত প্ৰায় দুমাহ ধৰি তেওঁ বৃক্ক আৰু মধুমেহজনিত ৰোগত আক্ৰান্ত হৈ স্থানীয় এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৪৩ চনৰ ২৫ ডিচেম্বৰত গোলাঘাট জিলাৰ ঢেকিয়াল চাৰিআলিত জন্মগ্ৰহণ কৰা প্ৰয়াত লাৱণ্য শইকীয়াই স্বামী ড° নগেন শইকীয়াৰ সাহিত্য জীৱনৰ বিশাল পৰিধি সৃষ্টিত সহযোগিতাৰ বিপৰীতে সকলো ঘৰুৱা দিশৰ চোৱাচিতা কৰিছিল। ২০১১ চনত প্ৰতিষ্ঠা কৰা 'অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদ'ৰ তেওঁ দাত্ৰী আছিল আৰু সাহিত্যিকগৰাকীৰ সৃষ্টিসমূহ যাতে পাঠক ৰাইজৰ মাজলৈ লৈ যাব পাৰি তাৰ বাবে ন্যাসক দায়িত্ব অৰ্পণ কৰিছিল। ১৯৬৫ চনৰ ৰৰ মে'ত ড° শইকীয়াৰ স'তে বিবাহপাশত আৱদ্ধ হোৱা প্ৰয়াত লাৱণ্য শইকীয়াই সকলো সময়তে স্বামীক সহযোগিতা আগবঢ়াইছিল আৰু তিনিটা সন্তান ক্ৰমে গৌতম শুভাকাংক্ষী শইকীয়া, কৌশিক শইকীয়া আৰু গায়ত্ৰীৰ বৰুৱা শইকীয়াৰ বাবে এগৰাকী আদৰ্শ মাতৃ হিচাপে নিজকে প্ৰতিষ্ঠা কৰি গৈছে। স্বামীক সাক্ষাৎ গ্ৰহণৰ বাবে অহা প্ৰতিগৰাকী ব্যক্তিক আন্তৰিকতাৰে আতিথ্য প্ৰদান কৰি সকলোৰে মনত ঠাই লোৱা এইগৰাকী নাৰীৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পিছতেই তেওঁৰ জীৱন ফুকন নগৰস্থিত 'বৰ্ণমালা' বাসগৃহত অনেক লোকৰ সমাগম ঘটে। চিকিৎসালয়ৰ পৰা তেওঁৰ নশ্বৰ দেহ আহি পোৱাৰ লগে লগে সকলোৰে চকুলো সেমেকি উঠাৰ লগতে স্বামী ড° নগেন শইকীয়াই অশ্ৰুসিক্ত নয়নেৰে জীৱন লগৰীক শেষ বিদায় জ্ঞাপন কৰে। তদুপৰি অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ সভাপতি ড° কন্দৰ্প কুমাৰ ডেকাকে ধৰি ন্যাসৰ অন্যান্যসকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰোপৰি অসম সাহিত্য সভা, ডিব্ৰুগড় সাহিত্য সভা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় প্ৰেছ ক্লাব, লেখিকা সন্থাৰ ডিব্ৰুগড় শাখা, মিলনজ্যোতি সংঘ, ডিব্ৰুগড় মহিলা সাহিত্য কানন, স্থানীয় নামঘৰ পৰিচালনা সমিতি, ডিব্ৰুগড় চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডিব্ৰুগড় বিজ্ঞান সমিতি, ডিব্ৰুগড় নাগৰিক মঞ্চ, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা, সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থা, জেউতি আলয়, বিহু সুৰক্ষা সমিতি, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোট, ডিব্ৰুগড় জিলা প্ৰশাসনকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি তথা গুণমুগ্ধই প্ৰয়াত লাৱণ্য শইকীয়াক শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত প্ৰয়াত শইকীয়াই স্বামী ড° নগেন শইকীয়াসহ দুই পুত্ৰ গৌতম শইকীয়া, কৌশিক শইকীয়া, দুই বোৱাৰী ক্ৰমে ড° মন্দিৰা বৰঠাকুৰ শইকীয়া, প্ৰীতি কলিতা শইকীয়া, একমাত্ৰ জীয়ৰী গায়ত্ৰী শইকীয়া বৰুৱা, জোঁৱাই বীৰেন বৰুৱা, নাতিনী সুজাতা, সুপ্ৰিয়া, ঋতজা, শ্ৰাৱস্তী চিন্ময়ানন্দকে ধৰি এখন পৰিপূৰ্ণ সুখময় সংসাৰ ইহসংসাৰত এৰি থৈ যায়। বিয়লি শতাধিক গুণমুগ্ধৰ উপস্থিতিত স্থানীয় চিৰিংচাপৰি শ্মশানত তেখেতৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

# হোজাই জিলাৰ স্বাস্থ্য বিভাগৰ অধীনত তিনিদিনীয়া বেডমিণ্টন প্ৰতিযোগিতাৰ সফল সামৰণি

**দেৱৰ্ষি গৌতম, নগাঁও ঃ** স্বাস্থ্য হৈছে মানুহৰ আটাইতকৈ মূল্যৱান সম্পদ। এই উদ্দেশ্য আগত ৰাখিয়ে হোজাই জিলাৰ স্বাস্থ্য বিভাগৰ অধীনত যোৱা ২১, ২২ আৰু ২৩ ফেব্ৰুৱাৰী তাৰিখে জিলা অসামৰিক চিকিৎসালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখন জিলাভিত্তিক বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমগ্ৰ হোজাই জিলাৰ প্ৰায় ১৩ খন চিকিৎসালয়ৰ স্বাস্থ্যকৰ্মীয়ে অংশগ্ৰহণ কৰে উক্ত প্ৰতিযোগিতাখনত। হোজাই জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কে চি গগৈয়ে ফিটা কাটি প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত নিজৰ ভাষণত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কে চি গগৈয়ে এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ বাবে আয়োজক সমিতিৰ প্ৰতিগৰাকী সদস্যকে শুভকামনা জনায়। জিলাভিত্তিক এই প্ৰতিযোগিতাখনত পুৰুষৰ দ্বৈত শাখাত প্ৰায় ২০ টা দলে প্ৰতিদ্বন্দিতা আগবঢ়ায়। এক আকৰ্ষণীয় প্ৰতিযোগিতাৰ অন্তত পুৰুষৰ দ্বৈত শাখাৰ বিজয়ী হ'বলৈ সক্ষম হয় জিলা অসামৰিক চিকিৎসালয়, হোজাইক প্ৰতিনিধিত্ব কৰা বিশ্বজিৎ ডেকা আৰু ধীৰাজ ডেকাই। ৰাণাৰ আপ হিচাপে বিবেচিত হয় জিলা অসামৰিক চিকিৎসালয়, হোজাইক প্ৰতিনিধিত্ব কৰা ৰূপম শইকীয়া আৰু গীয়াছুদ্দিন আহমেদে। চেমি ফাইনেল পৰ্যায়লৈ উন্নীত হোৱা ক্ৰমে হোজাই এফ আৰ ইউক প্ৰতিনিধিত্ব কৰা ৰেকিবুদ্দিন আহমেদ-বেদান্ত ডেকাৰ যুটি আৰু জিলা অসামৰিক চিকিৎসালয়ক প্ৰতিনিধিত্ব কৰা টিংকু কলিতা-নৱ কুমাৰ দাসৰ যুটি দুটাই তৃতীয় আৰু চতুৰ্থ স্থান দখল কৰিবলৈ সক্ষম হয়। পুৰুষৰ একক শাখাত এখন উত্তেজনাপূৰ্ণ চূড়ান্ত খেলত বিজয়ী হ'বলৈ সক্ষম হয় জিলা অসামৰিক চিকিৎসালয়ক প্ৰতিনিধিত্ব কৰা নিৰ্বান দাসে। জিলা অসামৰিক চিকিৎসালয়, হোজাইক প্ৰতিনিধিত্ব কৰা ক্ৰমে ধীৰাজ ডেকাই ৰাণাৰ আপ হোৱাৰ বিপৰীতে জয়ন্তজিত গগৈয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও মহিলাৰ দ্বৈত শাখাত প্ৰায় দহটা দলে অংশগ্ৰহণ কৰে। ইয়াৰে কাকী চিকিৎসালয়ক প্ৰতিনিধিত্ব কৰা নেমজুলিঙ আৰু হিমি বৰাৰ যুটিটোৱে বিজয়ী হ'বলৈ সক্ষম হয়। দ্বিতীয় স্থান লাভ কৰে যুটীয়া স্বাস্থ্য সঞ্চালকালয়ক প্ৰতিনিধিত্ব কৰা চাবানা চৌধুৰী আৰু কস্তুৰী পুষ্টিয়ে। ইয়াৰ উপৰিও মহিলাৰ একক শাখাত প্ৰায় ১৪ গৰাকী খেলুৱৈয়ে প্ৰতিদ্বন্দিতা আগবঢ়ায়। মহিলাৰ একক শাখাত বিজয়ীৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয় কাকী চিকিৎসালয়ক প্ৰতিনিধিত্ব কৰা নেমজুলিঙে। ইয়াৰ বিপৰীতে ৰাণাৰ আপ হিচাপে বিবেচিত হয় যুটীয়া স্বাস্থ্য সঞ্চালকালয়ক প্ৰতিনিধিত্ব কৰা চাবানা চৌধুৰীয়ে। পুৰুষৰ দ্বৈত শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় নীলবাগান চিকিৎসালয়ক প্ৰতিনিধিত্ব কৰা ডাঃ ইফটিকাৰ আহমেদে। শ্ৰেষ্ঠ যুৱ খেলুৱৈ হিচাপে বিবেচিত হয় যুটীয়াভাৱে ৰাজু ডেকা আৰু ৰাজীৱ বৈশ্য। প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱাৰ বাবে জিলা অসামৰিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ সৌৰভ কৰক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সহযোগী বঁটাৰে সন্মানিত কৰা হয়। শিশুসকলৰ মাজত অনুষ্ঠিত হোৱা প্ৰীতি খেলত বিভান ডেকা কাশ্যপে আকৰ্ষণীয় খেল প্ৰদৰ্শন কৰি দৰ্শকৰ যথেষ্ট প্ৰশংসা লাভ কৰে। সমগ্ৰ হোজাই জিলাখনৰ ভিতৰত অনুষ্ঠিত হোৱা বেডমিণ্টন প্ৰতিযোগিতাখনত জিলা অসামৰিক চিকিৎসালয়, হোজাই শ্ৰেষ্ঠ চিকিৎসালয় হিচাপে বিবেচিত হয়। প্ৰতিযোগিতাখনৰ অন্তিম দিনা হোজাই জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য বিভাগ) সপ্তমী এঙ্গো ডাঙৰীয়ানীয়ে উপস্থিত থাকি খেল উপভোগ কৰাৰ লগতে নিজেও এখন প্ৰীতিখেলত অংশগ্ৰহণ কৰে। ২৪ ফেব্ৰুৱাৰী তাৰিখে দিনৰ দুই বজাত জিলা অসামৰিক চিকিৎসালয় প্ৰেক্ষাগৃহত প্ৰতিযোগিতাত বঁটা লাভ কৰা প্ৰতিগৰাকী খেলুৱৈকে আনুষ্ঠানিকভাৱে বঁটাসমূহ প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে হোজাই জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কে চি গগৈ, জিলা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ বাসুদেৱ মালাকৰ, উপ অধীক্ষক ডাঃ সুব্ৰত বনিক সমন্বিতে বহু কেইগৰাকী গণ্যমান্য ব্যক্তি।

# ডিব্ৰুগড়ত ১৯১ গৰাকী বিনিয়োগকাৰীয়ে অসম চৰকাৰৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিবলৈ আগ্ৰহী

## ডিব্ৰুগড় জিলাত মুঠ ১৬৪০ কোটি টকা বিনিয়োগৰ ইচ্ছা প্ৰকাশ বিনিয়োগকাৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত হৈছে 'এডভাণ্টেজ আছাম-২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শুভ উদ্বোধন কৰা 'এডভাণ্টেজ আছাম-২.০' বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনত কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, দেশৰ আগশাৰীৰ উদ্যোগপতি, দেশী-বিদেশী বিনিয়োগকাৰী আৰু অসমৰ ঔদ্যোগিক ক্ষেত্ৰৰ উদ্যোগপতিসকলে অংশগ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ লগত সংগতি ৰাখি ডিব্ৰুগড় জিলাত ৫ লাখৰ পৰা ৫০ কোটিৰ ভিতৰত বিনিয়োগৰ পৰিকল্পনা কৰা বিনিয়োগকাৰীসকলৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰৰ এটি বিশেষ অনুষ্ঠান ২৫-২-২৫ তাৰিখে ডিব্ৰুগড় জিলা পুঁথিভড়াল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কয় যে, বৰ্তমান অসমত এক শান্তিপূৰ্ণ বাতাবৰণৰ সূচনা হৈছে আৰু ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰখনৰ ব্যাপক পৰিৱৰ্তনৰ সুচনা হৈছে। খনিজ আৰু প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ অসম ক্ৰমান্বয়ে দেশী-বিদেশী বিনিয়োগকাৰীসকলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিছে বুলিও তেওঁ বক্তব্য আগবঢ়ায়। 'এডভাণ্টেজ আছাম ২.০' বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনে অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলিও তেওঁ উল্লেখ কৰে। বিনিয়োগ আৰু আন্তঃগাঁথনিৰ শীৰ্ষ সন্মিলন 'এডভাণ্টেজ আছাম ২.০'ৰ অন্তৰ্গত ডিব্ৰুগড় জিলাৰ অধীনত মুঠ ১৯১ গৰাকী পঞ্জীয়নভুক্ত বিনিয়োগকাৰীৰ অসম চৰকাৰৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিবলৈ আগ্ৰহী। ডিব্ৰুগড় জিলাত বিনিয়োগকাৰীসকলে মুঠ ১৬৪০ কোটি টকা বিনিয়োগৰ ইচ্ছা প্ৰকাশ কৰিছে। আনহাতে, ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত 'এডভাণ্টেজ আছাম ২.০' বিনিয়োগ আৰু আন্তঃগাঁথনিৰ বিস্তৰ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্ম, অতিৰিক্ত জিলা আয়ুক্ত নন্দিতা বৰুৱা, ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুখ্য প্ৰৱন্ধক সোণমণি চৌধুৰী প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু পঞ্জীয়নভুক্ত আগ্ৰহী বিনিয়োগকাৰীয়ে এই পোনপটীয়া সম্প্ৰচাৰ প্ৰত্যক্ষ কৰে।

# ২০ সংখ্যক শিৱসাগৰ ব'হাগী উৎসৱৰ উদ্‌যাপন সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ ঃ** শিৱসাগৰৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত আৰু সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতিৰ সৌজন্যত শিৱসাগৰ দ'লপথ, বৰাট জুয়েলাৰীৰ সন্মুখত আয়োজিত ২০ সংখ্যক শিৱসাগৰ ব'হাগী উৎসৱ উদ্‌যাপনৰ উদ্দেশ্যে শিৱসাগৰ নগৰৰ এটি ৰোডত অৱস্থিত হোটেল ক্ৰেমলিনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সভাপতি তথা বিশিষ্ট শিল্পী জিতেন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে অনুষ্ঠানৰ প্ৰধান সম্পাদক তথা সাংবাদিক অমৃত কুমাৰ শৰ্মাই। উক্ত সভাতেই বিভিন্ন আলোচনাৰ অন্তত সৰ্বসন্মতিক্ৰমে আগন্তুক ২০২৫ বৰ্ষৰ ২০ তম্ শিৱসাগৰ ব'হাগী উৎসৱৰ বাবে বিশিষ্ট সমাজকৰ্মী তথা থাওৰা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰীক সভাপতি, পংকজ বৰা আৰু ক্ষীৰোদ কুমাৰ বৰদলৈক কাৰ্যকৰী সভাপতি, অনঙ্গ মোহন শৰ্মা, ঘন গগৈ আদি বহু বিশিষ্ট ব্যক্তিক উপ-সভাপতি আৰু প্ৰণৱ কুমাৰ বৰুৱাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হয়। সমাজৰ বিভিন্ন দিশত পৰিচিত বিশিষ্ট ব্যক্তিয়ে অনুভৱ ব্যক্ত কৰা সভাত অহা ইং ১৯ এপ্ৰিল, ৫ বহাগ শনিবাৰে এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ২০ তম্ ব'হাগী উৎসৱখনি অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# অসমৰ মোহময়ী অভিনেত্ৰী তেহচিন আখটাৰৰ সৈতে এক অন্তৰংগ আলাপ

অসমীয়া চলচ্চিত্ৰ, মঞ্চ, ভ্ৰাম্যমাণ থিয়েটাৰ আৰু বলিউডৰ বিভিন্ন ধাৰাবাহিক আদিত বলিষ্ঠ অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী তেহচিন আখটাৰৰ সৈতে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **অসমৰ অভিনয় জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল ?**

**তেহচিন আখটাৰ ঃ** সৰুতে মই গান শিকিছিলো। মই ৰামধেনু চেনেলত অভিনয়ৰ বাবে অডিচন দিবলৈ গৈছিলো। তাত বিখ্যাত পৰিচালক ৰাজেশ ভূএঞাৰ লগত মোৰ পৰিচয় হ'ল। এন.কে প্ৰডাকচনৰ 'জোনাকৰ বৰষুণ' নামৰ ধাৰাবাহিকত পৰিচালক ৰাজেশ ভূএঞাই মোক প্ৰথমবাৰ অভিনয় কৰাৰ সুযোগ দিলে।

■ **অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**তেহচিন আখটাৰ ঃ** মোৰ দেউতা মেঘালয় পুলিচত এচ. পি হিচাপে কৰ্মৰত আছিল। মোৰ মা ঘৰৰ গৃহিণী। মোৰ দাদা বাংগালোৰত ইঞ্জিনিয়াৰ হিচাপে চাকৰি কৰি আছে। মোৰ দেউতা যিহেতু পুলিছ বিভাগত চাকৰি কৰিছিল সেইকাৰণে মোক এক অনুশাসনৰ ভিতৰত ৰাখিছিল। মায়ে সদায় মোক অভিনয়ৰ বাবে উৎসাহ যোগাইছিল।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**তেহচিন আখটাৰ ঃ** নতুন প্ৰজন্ম মদৰ প্ৰতি আসক্ত হৈছে। এই কথাটোৱে মোক চিন্তিত কৰে।

■ **আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**তেহচিন আখটাৰ ঃ** কিতাপ পঢ়ি ভাল পাওঁ। মই শ্বিলংঙৰ ছেণ্ট মেৰিজ স্কুলত পঢ়িছিলোঁ। সেইকাৰণে মোৰ অসমীয়াতো বৰ ভাল নাছিল। পিছত অসমীয়া কিতাপ পঢ়ি অসমীয়া ভাষাটো বুজি পালোঁ। গান শুনো। অসমীয়া, ইংৰাজী, স্পেনিছ, আৰবীয়ান আৰু বাংলা গীত শুনো।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**তেহচিন আখটাৰ ঃ** শিক্ষাটো প্ৰয়োজনীয়, ইয়াৰ বাদে ঘৰৰ পৰিৱেশ ভাল হোৱাটো প্ৰয়োজন। ইয়াৰ লগতে সংস্কৃতিটোও প্ৰয়োজন।

■ **প্ৰত্যেক অভিনেত্ৰীৰ এক নিজস্ব অভিনয় ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে ?**

**তেহচিন আখটাৰ ঃ** চৰিত্ৰটো চাই মই যিটো অনুভৱ কৰো সেইটোৱেই মোৰ ষ্টাইল।

■ **আপুনি বলিউডতো নিজকে সফল অভিনেত্ৰী হিচাপে প্ৰতিষ্ঠিত কৰিছে। বলিউডত প্ৰৱেশৰ বিষয়ে অলপ কওঁকচোন ?**

**তেহচিন আখটাৰ ঃ** বলিউডত সংগ্ৰাম কৰি এটা চৰিত্ৰ খুব কষ্টেৰে পোৱা যায়। তাত অভিনয়ৰ বাবে যথেষ্ট সুযোগ আছে। মই নিজকে অতি সৌভাগ্যশালী বুলি ভাবো কিয়নো তাত গৈ কেৱল দহ দিনৰ ভিতৰত মই অভিনয়ৰ সুযোগ লাভ কৰিছোঁ। এম টিভিৰ এক ৰিয়েলিটী শ্ব'ত কাম কৰাৰ সুযোগ লাভ কৰিছোঁ। ৰিয়েলিটী শ্ব'তকৈ অভিনয়ৰ প্ৰতি ৰুচি বেছি হ'ল। Colurs টিভিৰ 'অজীৱ দাস্তা' নামৰ এখন ধাৰাবাহিকত অভিনয় কৰিছোঁ।

■ **আপোনাৰ প্ৰিয় খাদ্য ?**

**তেহচিন আখটাৰ ঃ** মাৰ হাতৰ যিকোনো খাদ্য।

■ **আপোনাৰ প্ৰিয় ৰং ?**


**তেহচিন আখটাৰ ঃ** বগা আৰু গুলপীয়া।

■ **আপোনাৰ আদৰ্শ ব্যক্তি ?**

**তেহচিন আখটাৰ ঃ** মোৰ মা।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**তেহচিন আখটাৰ ঃ** জীৱন সদায় পৰিৱৰ্তন হৈ থাকে। সেই পৰিৱৰ্তনৰ লগত নিজকে সংযুক্ত কৰাই হৈছে জীৱন। ছোৱালীখিনিৰ বাবে ক'ব বিচাৰোঁ যে সদায় স্বাধীনচেতীয়া হ'ব লাগে। লোকৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে।



*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
ম'বাইল ঃ ৮৪৭৪০৯৩১৬৮

# ক'লা ধোঁৱাৰ কৰাল গ্ৰাসত বিশ্ব

■ **কমলেশ কাঞ্চন**
বামুণীগাঁও



**ব**ৰ্তমান সমগ্ৰ বিশ্বই গোলকীয় উষ্ণতাৰ দৰে সমস্যাৰ সৈতে যুঁজি আছে। বায়ুমণ্ডলত কাৰ্বন-ডাই-অ'ক্সাইড গেছ বৃদ্ধিয়ে মানুহক ক্ৰমান্বয়ে সংকটৰ মুখলৈ ঠেলি দিছে। পৃথিৱীত উন্নয়নশীল দেশৰ পৰা উন্নত দেশলৈ সকলোৱে উদ্যোগীকৰণ দিশটোত অত্যধিক মনোনিৱেশ কৰে। বৰ্তমান সময়ত এটা কথা প্ৰত্যেকে অৱগত যে উদ্যোগীকৰণ অবিহনে অৰ্থনৈতিক দিশত বিকাশ কৰাটো অসম্ভৱ। পৃথিৱীখনৰ পৰিৱেশ জীৱকূলৰ বাবে সদায় অনুকূল কৰি ৰখাৰ স্বাৰ্থত সময়ে সময়ে ছাৰ্ক দেশ সমূহৰ সন্মিলন, ব্ৰিকছ, আছিয়ান সন্মিলন, জি-২০, জি-৭ আদিৰ দৰে ৰাষ্ট্ৰ সমূহৰ আলোচনাচক্ৰ বিশ্বৰ বিভিন্ন দেশত অনুষ্ঠিত হৈ আছে। সকলোৱে পৃথিৱী ৰক্ষাৰ স্বাৰ্থত নিজৰ নিজৰ মন্তব্য আগবঢ়াইছে কিন্তু বাস্তৱত জনসাধাৰণে পাইছে মাথোঁ শূন্যতা। বহু সময়ত এনেবোৰ সন্মিলন পৃথিৱীৰ উন্নত ৰাষ্ট্ৰসমূহৰ মতানৈক্যৰ বাবেও ফলপ্ৰসূ হৈ উঠা নাই। একাংশ উন্নত দেশে নিজৰ স্বাৰ্থ অটুট ৰাখি অনুন্নত আৰু উন্নয়নশীল দেশসমূহক নিয়ন্ত্ৰণত ৰখাৰ বাবে কিছুমান নীতি প্ৰস্তুত কৰে যদিও কঠোৰভাৱে কাৰ্যকৰী কৰিবলৈ অসমৰ্থ হয়। কথাতেই আছে উপদেশতকৈ আৰ্হি ভাল। শেষত গৈ সকলো অৰ্থহীন হয়; নহ'লেনো ইমান আলোচনা-বিলোচনা কৰাৰ পিছতো গোলকীয় উষ্ণতা দিনক দিনে বৃদ্ধি হয়নে ?

এতিয়া আমাৰ দেশ ভাৰতবৰ্ষই দ্ৰুত গতিত অৰ্থনৈতিক দিশত বিকাশ কৰিবলৈ সক্ষম হৈছে। কেইবছৰমানৰ ভিতৰতে ভাৰতৰ অৰ্থনীতিয়ে বিশ্বৰ তৃতীয় শক্তিশালী অৰ্থনীতি ৰূপে পৰিণত হ'ব বুলি অৰ্থনীতিবিদসকলে ধাৰণা কৰিছে। নিশ্চিতভাৱে ভাৰতে উদ্যোগিক দিশত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। দিনক দিনে ভাৰতত ধনী মানুহৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰায় সংখ্যক ঘৰতেই দুই-তিনিখন কৈ চাৰিচকীয়া গাড়ী হ'বলৈ পাইছে। গাঁৱে-ভূঞে এতিয়া প্ৰত্যেকৰে ঘৰে ঘৰে দুচকীয়া বাহন। মানুহে প্ৰয়োজনটো দুচকীয়া বাহন চলাইছে বা কেতিয়াবা এনেই দৌৰাই আছে। পৰিৱেশ সুৰক্ষাৰ প্ৰতি কিন্তু কাৰো গুৰুত্ব নাই। একেই কথা ডাঙৰ ডাঙৰ কয়লা ট্ৰাক আৰু ডাম্পাৰ চলোৱাসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। বহু সময়ত একাংশ পৰিবহণ বিষয়াৰ পৰিৱেশৰ প্ৰতি উদাসীন স্বভাৱৰ বাবেও পৰিৱেশ প্ৰদূষণ বৃদ্ধি পাইছে। বৰ্তমান ৰাষ্ট্ৰীয় ঘাইপথত ক'লা ধোঁৱাৰে তীব্ৰ গতিত চলি থকা ডাঙৰ ডাঙৰ ট্ৰাক সকলো সময়তে উপলব্ধ থাকে। ক'লা ধোঁৱাই ঘাইপথ অন্ধকাৰ কৰি তোলে। এনেকুৱা অনুভৱ হয় তেওঁলোক যেন পৰিৱেশৰ প্ৰতি মুঠেই সজাগ নহয়। তেতিয়াই পৰিৱেশ ৰক্ষাৰ বাবে হাজাৰ হাজাৰ ৰাইজৰ টকা খৰচ কৰা বাতৰিবোৰ অনৰ্থক যেন লাগে। সেই সন্মিলনবোৰ একমাত্ৰ ৰাইজক দেখুৱাই অনুষ্ঠিত কৰাৰ বাহিৰে যে একো নহয় তেনেকুৱা অনুভৱ হয়। বিশ্বৰ সকলো দেশেই যিহেতু পৰিৱেশ ৰক্ষাৰ বাবে বদ্ধপৰিকৰ তেতিয়াহ'লে ক'লা ধোঁৱাৰ সমস্যাবোৰ কিয় সমাধান নহয় ?

সম্প্ৰতি বিশ্বত কেইবাখনো দেশে যুদ্ধ সদৃশ পৰিৱেশৰ সন্মুখীন হৈছে। ৩ বছৰ আগতে আৰম্ভ হোৱা ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ শাম কটা নাই; ইজৰাইল আৰু হামাছৰ যুদ্ধখন সাময়িকভাৱে যুদ্ধ বিৰতিত আছে যদিও যিকোনো মুহূৰ্ততে পুনৰ খাণ্ডৱ দাহৰ ফিৰিঙতিৰ দৰে জ্বলি উঠিব পাৰে। আনহাতে আমেৰিকা-ইৰান, ইৰান-ইজৰাইল, চীন-টাইৱান, উত্তৰ কোৰিয়া-দক্ষিণ কোৰিয়া, আৰ্মেনিয়া - আজাৰবেইজান, ভাৰত- পাকিস্তানৰ মাজত সকলো সময়তে যুদ্ধংদেহি পৰিৱেশে বিৰাজ কৰিছে। এইবোৰ দেশৰ বেছি সংখ্যক দেশে দুটা শক্তিশালী ফৈদত বিভক্ত। এটা ফৈদ যদি আমেৰিকাৰ ছত্ৰছায়াত চলিছে আনটো ফৈদ চলিছে ৰাছিয়াৰ ছত্ৰছায়াত। যুদ্ধ জৰ্জৰিত বেছিভাগ দেশেই অনুন্নত বা উন্নয়নশীল। শক্তিশালী ৰাষ্ট্ৰ আমেৰিকা আৰু ৰাছিয়াই যদি যুদ্ধংদেহী মনোভাৱত থাকে এইবোৰ দেশক কোনে নিয়ন্ত্ৰণ কৰিব। অৱশ্যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ৰাছিয়া - ইউক্ৰেনৰ যুদ্ধ বন্ধ কৰাৰ বাবে যি পদক্ষেপ লৈছে সেয়া আদৰণীয়। আনহাতে ইজৰাইল-হামাছ আৰু ইৰাণৰ ক্ষেত্ৰত তেওঁৰ পদক্ষেপে কিন্তু কথাবোৰ অন্যধৰণে ভাবিবলৈ বাধ্য কৰিছে। সেয়া যি কি নহওঁক বিশ্বৰ শক্তিধৰ ৰাষ্ট্ৰ সমূহে বিশ্ব শান্তি ৰক্ষাৰ স্বাৰ্থত একমত পোষণ কৰাৰ সময় কিন্তু সমাগত। তেওঁলোকে যদি একমাত্ৰ নিজ ৰাষ্ট্ৰৰ হিতৰ বাবে বিশ্ব শান্তি তথা পৰিৱেশৰ কথা আওকাণ কৰি উন্নয়নমূলক কামত ব্ৰতী হয় তেন্তে বিপদ অনিবাৰ্য। তেওঁলোকৰ উদ্যোগীকৰণ কাৰ্যই বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণ বৃদ্ধি কৰিব। পৰিৱেশ হৈ উঠিব প্ৰদূষণ যুক্ত। গতিকে সৌৰজগতৰ একমাত্ৰ জীৱ বাস কৰিব পৰা গ্ৰহটোৰ ৰক্ষাৰ স্বাৰ্থত সকলো এক হৈ আগুৱাই যাব লাগিব; তেতিয়াহে পৃথিৱী সুৰক্ষিত হ'ব। এই ছেগতে অসমৰ পৰিবহণ মন্ত্ৰী মহোদয়কো পৰিৱেশ ৰক্ষাৰ স্বাৰ্থত ক'লা ধোঁৱা নিৰ্গত কৰা গাড়ী তথা চালকৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ।

**ম'বাইল ঃ** ৭০০২৪-২৩৭৯৯

# কাছাৰৰ, লক্ষীপুৰত নাৰী অধিকাৰ সুৰক্ষাৰ বাবে আইন সচেতনতা শিবিৰ অনুষ্ঠিত




**শিলচৰ ঃ** কাছাৰ জিলাৰ লক্ষীপুৰ ব্লকস্থ শ্ৰীবৰ গাঁও পঞ্চায়ত কাৰ্যালয়ত এক বিশেষ আইন সচেতনতা শিবিৰ অনুষ্ঠিত হয়। নাৰী সুৰক্ষা আৰু ক্ষমতায়নৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচী 'বেটি বচাও, বেটি পৰাও' পৰিকল্পনাৰ ১০ম বৰ্ষপূৰ্তি উদ্‌যাপনৰ অংশ হিচাপে গঠন কৰা হৈছিল। এই অনুষ্ঠানত ভাৰতীয় ন্যায় সংহিতা (BNS)-ৰ অধীনত নাৰীসকলৰ অধিকাৰ আৰু সুৰক্ষাৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। এই সচেতনতা শিবিৰ 'সঙ্কল্প ঃডিচট্ৰিক্ট হাব ফৰ এমপাৱাৰমেন্ট অফ উইমেন', মহিলা আৰু শিশু উন্নয়ন বিভাগ, কাছাৰ জিলাৰ আইনী সেৱা প্ৰাধিকৰণ (DLSA), আৰু অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিছন (ASRLMS)ৰ যৌথ উদ্যোগত অনুষ্ঠিত হয়। এই অনুষ্ঠানত স্বনিৰ্ভৰ গোট (SHG)-ৰ সদস্যসকল, জেণ্ডাৰ পইণ্ট পাৰ্চ্ছনসকল আৰু বহু সচেতন নাগৰিকে অংশগ্ৰহণ কৰে। শিবিৰটোৱে সমাজত নাৰী অধিকাৰৰ বিষয়ে জাননী বৃদ্ধি কৰাৰ লগতে ন্যায় বিচাৰৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অনুষ্ঠানত জিলাৰ আইনী সেৱা প্ৰাধিকৰণৰ সম্পাদক সালমা সুলতানাই নাৰীসকলৰ অধিকাৰৰ ক্ষেত্ৰত প্ৰযোজ্য বিভিন্ন আইনী ধাৰাৰ বিষয়ে গভীৰ ব্যাখ্যা আগবঢ়ায়। তেওঁ মহিলাসকলৰ আইনী জ্ঞান আৰু সজাগতাৰ গুৰুত্ব উপলব্ধি কৰাই দিয়ে। লগতে, নাৰী নিৰ্যাতন আৰু বৈষম্য ৰোধ কৰাৰ ক্ষেত্ৰত আইনী ব্যৱস্থাসমূহ কেনেকৈ সহায়ক হ'ব পাৰে, সেই বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে। ওৱান ষ্টপ চেণ্টাৰৰ প্ৰশাসক ৰূপালী আকুৰাই 'মিচন শক্তি' পৰিকল্পনাৰ অধীনত মহিলাসকলৰ বাবে উপলব্ধ বিভিন্ন সাহায্যসেৱা সম্পৰ্কে বৰ্ণনা দিয়ে। তেওঁ কয় যে, সংকটত থকা মহিলাসকলক সহায় প্ৰদানৰ ক্ষেত্ৰত এই পৰিকল্পনাই এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিছনৰ (ASRLMS) ব্লক প্ৰোগ্ৰাম মেনেজাৰ শাৰ্লিবোম ৰংপিপি আৰু ব্লক কোঅৰ্ডিনেটৰ মোহন দেৱ-সহ আন বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তেওঁলোকৰ উপস্থিতিয়ে গ্ৰাম্য পৰ্যায়ত মহিলাসকলৰ আইনসচেতনতা বৃদ্ধি কৰাৰ লগতে সামূহিক সহযোগিতাৰ প্ৰয়োজনীয়তা প্ৰতিফলিত কৰে। এই অনুষ্ঠানৰ জৰিয়তে মহিলাসকলক নিজৰ অধিকাৰ আৰু ন্যায় বিচাৰৰ ক্ষেত্ৰত অধিক সজাগ কৰি তোলাৰ প্ৰচেষ্টা হাতত লোৱা হয়। বক্তাসকলে পুনৰ পুনৰ এই কথা প্ৰকট কৰে যে, আইনী সজাগতা নাথাকিলে মহিলাসকলে ন্যায় বিচাৰৰ ক্ষেত্ৰত পিছ পৰি যাব পাৰে। সেয়ে সমাজৰ প্ৰতিটো স্তৰত মহিলাসকলৰ বাবে আইনসন্মত সহায় প্ৰদানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সাৰ্বিকভাৱে, এই সচেতনতা শিবিৰটোৱে মহিলাসকলক আইনী অধিকাৰৰ বিষয়ে অৱগত কৰাৰ লগতে, সামাজিক সুৰক্ষা আৰু ন্যায় বিচাৰৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ অনুপ্ৰাণিত কৰিছে। শিলচৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ আঞ্চলিক কাৰ্যালয়ৰ জৰিয়তে এই সংবাদ প্ৰকাশ কৰা হয়।

# শীত, প্ৰেম আৰু অন্যান্য

**ৰশ্মিৰীয়া গগৈ**

আগকথা ঃ
তিনিও প্ৰহৰ খান্দি ফেনেকি
বাট বিচাৰি পালোঁ পাহাৰ
ৰ'দ জলমল ভৰ দুপৰীয়াত
জিলিকি উঠিল কেঁচা ঘা।
আবেলিৰ হেঙুলত আন্ধাৰ যোৱা চেঁচাবোৰ
আঙুলি ফাঁকেৰে বৈ যোৱা
তৰা ফুলা জয়াল নৈ।
তথাপি যদি সোধা,
মৃত্যুমুখী ফুলৰ বৰণ কিয় ইমান নীলা?
লোৱা, তোমাক দিলোঁ এয়া এডোঙা তেজ
জীৱন যাৰ ক'লা
যদিও বুকু ৰঙা..

মাজকথা ঃ
ব্ৰহ্মাণ্ড সুৰৰ এচাঙি বতাহত অহৰহ উপঙি ফুৰোঁতে
বেগাই পাৰ হোৱা এখন আকাশ
য'ত কেৱল ধোঁৱাৰ ধুমুহা
ৰক্ত কৰবীৰ ৰঙা ডালত ওলমি
বিচাৰি ফুৰা ঠেতেলা খোৱা এটি আত্মা
মায়া বজাৰত
কবিতাই পখালিছে ঠোঁট,
বিজলুৱা শিলত
মই ভ্ৰমি আছোঁ ভ্ৰমত।
আৰু
তুমি যাক আকাশ বুলিছা
সেয়া কেৱল মাটি কলহৰ খোলা।

স্বপ্নকথা ঃ
ধৰি লোৱা 'x' টো বঢ়াবলৈ ঠাইকণ ঠেক
প্ৰেমৰ কথাবোৰ জ্যামিতিৰ জঁটীয়া সাঁথৰ
উজুটিত ভৰি চিগিব পৰা কঠিন অথবা
কোমল কিছু বিপদ বুকুত থৈ
তেওঁৰ আবেগ আকুল গোন্ধত
নাঙঠ বেহেলাত আঙুলি বুলাইছো

সামৰণি অথবা আৰম্ভণিৰ কোনো কথা নাই
য'ত মই মাত্ৰ পৰ দি থকা এটি অপেক্ষা
আধাফুটা

উপসংহাৰ ঃ
কোনো এক শীতাৰ্ত সন্ধ্যা আমি
খেপিয়াই চাইছিলোঁ আমাৰ
ছাঁত লুকাই থকা পোহৰ
আৰু সকলো পোহৰৰ আঁৰৰ ছাঁ
এচটা প্ৰাচীন শিলত ঘঁহি ঘঁহি
ধাৰ দিয়া নদীৰ পানী
এতিয়া,
যেতিয়া নদী সাগৰ
ইমানবোৰ প্ৰেম, তথাপি প্ৰেমহীন
নিৰুদ্ধ, নিশ্বাস তুমিহীন,
তুমিহীন।

**ম'বাইল ঃ** ৬৯০০৬-৭৮২০৫



# বিকৃতিৰ প্ৰলাপ

**মণ্টু মৰাণ**

কেনেবাকৈ মন্ত্ৰী হৈ যোৱা হ'লে
বাগৰ সলাই দল বাগৰাই ৰজা হৈ থাকিলোঁহেঁতেন

বৰলা নহৈ বিবাহিত হৈ চাবৰ মন যায়
অৱশ্যে বয়সে ভাটি দিয়া নাই

পৰিবাৰৰ নামত খুলি দিলোঁহেঁতেন মাটি
আৰু চাহৰ খেতি

টকাৰ বলতে টকা
টকাৰ লগতে মান আৰু সন্মান
টকাৰ জোৰতে পদবী আৰু বেংকৰ লোণ

আমিনো কোন

কেনেকৈ গঢ়ো সম্পত্তিৰ এটা ওখ পাহাৰ
সমালোচনাই ঢুকি নোপোৱা টকাৰ দেৱাল

মহাবিদ্যালয়ৰ চাকৰি কৰিবৰ জোখাৰে তেল মৰাৰ
স্বভাৱ আমাৰ নাই
সময়ে লৈ যায় আমি গৈ থাকোঁ মাথোঁ গৈ থাকোঁ

ভৰিত ধৰিব নোৱাৰোঁ
হাঁহ খুৱাব নোৱাৰোঁ
ঘৰলৈ গৈ খাতিৰ কৰিব নোৱাৰোঁ, কাকো নোৱাৰোঁ

শিক্ষক সমাজৰ এডাল সাঁকো
শিক্ষক আদৰ্শ আৰু নিকা এটা চৰিত্ৰ
মানুহে কেনেকৈ মাৰি পেলাব পাৰে মষিমূৰ কৰিব
পাৰে
মানুহ আৰু
শিক্ষকৰ আদৰ্শ

নেতা হৈ ল'ব পৰা হ'লে
মন্ত্ৰী হৈ যাব পৰা হ'লে কেনেবাকৈ
অধ্যাপক পত্নী এগৰাকী থাকিবলৈ
অথবা উদ্যোগী পত্নীৰ নামেৰে কৰ কমাবলৈ
হৈ যাব পৰা হ'লে কেনেবাকৈ হৈ যোৱা হ'লে
দল এটাৰ নেতা।

# বিচাৰি নোপোৱা ফাগুন

**প্ৰান্তিক শৰ্মা,** জাজৰি

এজাক পছোৱা বতাহ
এখনী ৰঙীণ চিলা
আৰু এটা সোণালী শৈশৱ
বিচাৰিব গ'লে শূণ্যতাহে।
চৌদিশ মাথো ধূলিময়
আবিৰৰ ৰংবোৰতো কৃত্ৰিমতা
তাহানিৰ পলাশ শিমলু ফুলা
দিনৰ দৌল উৎসৱ
আলি-আই লিগাংৰ দিনবোৰ
সীমাহীন আনন্দৰ।
আজিৰ দৌল উৎসৱ হোলী গীত
বিহীন বৰ্ষা নৃত্যৰ উচ্চস্বৰৰ
সংগীতৰ সমাৰোহ।
শীতৰ কুঁৱলী ফালি
ফাগুণী ৰাতি এজাক পছোৱাই
মনৰ মলিনতাবোৰ চৌদিশৰ
বীভৎস কৰ্মবোৰ উৰুৱাই
নিশেষ কৰিলে
কিমান সুমধুৰ হ'ল হয় দিনবোৰ।
আজিৰ ফাগুন মিছা প্ৰেম উদ্‌যাপনৰ
বাবে এটা সপ্তাহ
তাহানিৰ ফাগুন প্ৰতিটো দিনেই
এটি নিভাজ প্ৰেমৰ দিন।
তথাপি লঠঙা গছৰ ডালত
পৰি কুলীৰ বিননী শুনি গম পালো
ফাগুন আহিল।
কিন্তু সেই পছোৱা বতাহজাক
শৈশৱৰ চিলা উৰুৱা দিনবোৰ
আজি যেন ক'ৰবাত নাই।

**ম'বাইল ঃ** ৯৫৭৭৪-৭৭৯৭৯

# সংসৃষ্টি

**হেৰম্ব নাথ**

তোমাৰ ৰূপক নহয়
মনটোক ভাল পাওঁ
ভালপোৱাৰ স্বপ্নীল প্ৰত্যয়ত।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

# ফাগুন জীৱনৰ

**জ্যোতিস্মিতা বৰা,** যোৰহাট

(১)
ধূলিৰ ফৰফৰিয়া বতাহজাক
আৰু পিতাইৰ সকীয়নী
'বাহিৰলৈ নাযাবি' থাকিবি
নৰিয়াত পৰি

কেনেকৈ কওঁ তোক পিতাই
মই যে ফাগুন ভাল পাওঁ।

(২)
পিতাই বজাৰলৈ ওলাই যোৱা সময়তে
বতাহত এখন ৰঙীণ চিলা উৰুৱালো
ভয়ত নে বতাহৰ ভাঁজত জানো
চিলাখন শিমলু জোপাত লাগি ধৰিল।

চোতালখন বগা বগা হৈ পৰিছে
অ' পিতাই এনেকুৱা কাপোৰ এখন
আনিবিচোন এইবাৰ দৰ্জীত লগাবলৈ
সিখন পুৰণি হ'ল
আইৰ বিয়াত লগত অহা কাপোৰখন
পচি গ'ল

(৩)
ফাগুন আহিছে
চোতালত ৰভা দিবৰ বাবে
ঘৰৰ বাঁহ জোপা কাটিছে

এই ফাগুনতে পিতায়ে আঁতৰাই পঠালে
অন্য এটি ঠিকনালৈ।

(৪)
তোক কৈছিলো নে পিতাই
মোৰ যে ফাগুন বৰ প্ৰিয়
চকুলোৰ টোপালে তিয়াই পেলোৱা
ধূলিখিনিও আজি শুভ্ৰ
ঠিক শিমলু তুলাৰ দৰে
দৰ্জীৰ কাপোৰখনৰ দৰে

(৫)
ফাগুনৰ বতাহ জাকৰ লগত বোলে তই
ধোঁৱা হৈ উৰিছিলি
চাবলৈ নাপালোঁ তোক
গাঁৱৰ পুনাকণ এইফালে আহোঁতে
কৈছিল মোক,
তোৰ খবৰ লৈছিলোঁ
চৰিত্ৰহীন নাম এটি লগতে পালোঁ।

পিতাই অহা জনমত তোৰ ঘৰতে জনম ল'ম
তোৰ কথা ৰাখিম
ফাগুন আহিলেও বাহিৰলৈ ওলাই নাহিম।

**ম'বাইল ঃ** ৮৪৭৪৮-৯৪৫৩৬

# প্ৰেম

**মেৰী বৰদলৈ,** নগাঁও

আজিও কাণত বাজি উঠে
বুকুত ঘাঁ লগা শব্দবোৰ
কষ্ট হয় যদিও..
জীয়াই থকা বাসনা অলেখ
এই প্ৰেমভৰা হৃদয়খনিত
হাজাৰ প্ৰেমিকাৰ অহাযোৱা
কিন্তু, কিন্তু....
তুমি মোৰ বাবে বিশেষ
জানানে প্ৰেমৰ দুনিয়াত এতিয়া
প্ৰতাৰণাৰ একুৰা অগ্নিশিখা
জ্বলিছে দাওঁদাওঁকৈ
উতলা প্ৰেমৰ চৌপাশে...।

# দুপৰৰ শিলভঙা তৃষ্ণা

**বিতোপন গগৈ,** শিমলুগুৰি

ৰ'দ বিচাৰি আহিলি
অ' শালিকী
চোতালৰ একোণত
তোৰ নিসংগ ধেমালি
পাহৰি আহিলি
নদী পাৰ হোৱা ভাগৰ
পখালিব পৰা নাই তই
পূৰ্বপুৰুষৰ দুপাখিৰ সেউজীয়া
কাৰ ৰাজনীতিত
এদিন খহি পৰিছিল
দুপৰৰ বেলি এটা
সাগৰৰ পানী চেলেকা অপবাদত
শিলভঙা ডাৱৰ
ঠোঁটৰ খৰিকা...
বিৰিখৰ তৃষ্ণাতুৰ শিপা বিচাৰি
অবৈধ ভূমিৰ খনন
চাটিফুটি শৰবিদ্ধ নাভি
দুঃস্বপ্নৰ আলিবাটত যন্ত্ৰণাৰ চকুলো
কম্পিত ওঁঠত বিষাদৰ মাতৃভাষা
কপালত জিলিকে ৰঙাজবা
এতিয়া খুদকন বিচৰাৰ দিন নাই
অ' শালিকী বান্ধৱী
আহ, সাৰেং বিচাৰি
চহৰলৈ যাওঁ
ডিঙিত সাতসৰী পিন্ধি
ঝুমইৰ দুফাঁকি গাঁও
সৰস্বতী বন্দনাৰে
প্ৰেমৰ আকাশত শিমলু ফুলাও
জিল্‌মিল এচেৰেঙা ৰ'দৰ প্ৰাৰ্থনাত।

**ম'বাইল ঃ** ৯৩৬৫১-৬৮৮০৬

# পুতলা নাচ প্ৰাচীনতম শিল্প

**অনামিকা (সংগীতা) কলিতা**
শুৱালকুছি



**ব**ৰ্তমান ম'বাইলৰ যুগত পুতলা নাচৰ অস্তিত্ব ম্লান পৰি আহিছে। কিন্তু লোক সংস্কৃতিৰ ভিতৰত এক অন্যতম প্ৰচীন শিল্প পুতলা নাচ। খ্ৰীষ্টপূৰ্ব পঞ্চম শতাব্দীত পুতলা নাচৰ উৎপত্তি বুলি ঠাৱৰ কৰিব পাৰি। এই প্ৰচীন শিল্পবিধ পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে নামকৰণ কৰিছে।

আমাৰ ভাৰত বৰ্ষত এই শিল্প বিধৰ তাহানিৰে পৰা এতিয়ালৈকে এক ঐতিহ্য বহন কৰি আহিছে। এই পুতলা নাচৰ যোগেদি ধৰ্মীয় গ্ৰন্থ মহাভাৰত, ৰামায়ণৰ আখ্যানৰ পৰা সমাজ সচেতন, ধেমেলীয়া সকলো দৃশ্য অৱতাৰণা কৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে পুতলা নাচ ভাওনা, মুখা শিল্প সংস্কৃতিৰ আদিৰ সহায়ত সমাজখনত, অজ্ঞান অন্ধকাৰ দূৰ কৰি জ্ঞানৰ আলোক বিতৰণ বাবেই এই শিল্পবোৰৰ সহায় লোৱাৰ বিষয়ে বিভিন্ন গ্ৰন্থত পঢ়িবলৈ পাইছোঁ।

সেই সময়ত ম'বাইল টিভি আদি নাছিল। গতিকে সমাজখনৰ আগত কিছুমান কথা বুজোৱাৰ বাবে, মাটি বাঁহ-বেত কাপোৰ আদিৰে তৈয়াৰ কৰা কিছুমান পুতলা সাজি লৈছিল। তাৰ পিছত ১৪বাৰ ৬জন মানুহে লগ হৈ এটি দল গঠন কৰি, তেওঁ লোকে (ৰিহাচল) প্ৰশিক্ষণ লৈ কিছুমান বাদ্যযন্ত্ৰ সহযোগত বিভিন্ন মঠ-মন্দিৰ বা ৰাজহুৱা স্থান এই পুতলা নাচ প্ৰদৰ্শন কৰিছিল।

এই শিল্পৰ আধুনিকতাৰ পোহৰত আমাৰ সমাজৰ পৰা পাহৰণিৰ গৰ্ভত বিলীন হৈ যাব যেন অনুভৱ হয়। গতিকে আমাৰ সকলোৰে দায়িত্ব এই শিল্পবিধক সংৰক্ষণ কৰা আৰু সমাজৰ মাজত প্ৰচলিত কৰি ধৰি ৰাখিব লাগিব।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

*প্ৰথম পৃষ্ঠাৰ পৰা*

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিলে এডভাণ্টেজ

উদযাপনে ৰাজ্যখনৰ ঔদ্যোগিক পৰম্পৰাকে সূচায় বুলি উল্লেখ কৰি তেওঁ কয় যে ১৮২৩ চনত আৱিষ্কাৰ হোৱা চাহ অসমৰ প্ৰধান উদ্যোগ আছিল। অসমৰ উদ্যোগীকৰণৰ চহকী অতীতৰ বিষয়ে অৱলোকন কৰি তেওঁ লগতে কয় যে ভাৰতৰ তেল উদ্যোগৰ প্ৰথম পথ প্ৰদৰ্শক আছিল অসম। ১৮৪৭ চনত অসমত কয়লা আৱিষ্কাৰ হৈছিল আৰু ইয়ে অসমৰ ঔদ্যোগিক যাত্ৰাক অধিক আগুৱাই নিয়াৰ লগতে ৰাজ্যখনৰ স্থায়ী বহনক্ষম অৰ্থনৈতিক বিকাশৰ ভেটি গঢ়ি তুলিছিল। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ভাৰতৰ স্বাধীনতাৰ সময়ত অসম দেশৰ এখন অৰ্থনৈতিকভাৱে অগ্ৰণী ৰাজ্য আছিল। চাহ, প্ৰাকৃতিক সম্পদ আৰু হাইড্ৰ'কাৰ্বনৰ সমৃদ্ধিৰ বাবেই জনমূৰি আয় ৰাষ্ট্ৰীয় গড়তকৈ চাৰি শতাংশ অধিক আছিল। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দূৰদৰ্শী নেতৃত্বত অসমে এক ঐতিহাসিক ৰূপান্তৰৰ দিশেৰে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীৰ দায়বদ্ধতাই অসমৰ দ্ৰুত বিকাশ আৰু নব্য আশাবাদৰ নতুন যুগলৈ আগুৱাই লৈ গৈছে। তেওঁ কয় যে ২০১৪ চনৰ পৰা ২৩২৪ কিলোমিটাৰতকৈ অধিক ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে। ভাৰতীয় ৰে'লৰে ৬০০ কিলোমিটাৰ মিটাৰগজ লাইনক সম্পূৰ্ণভাৱে ব্ৰডগজলৈ পৰিবৰ্তন কৰিছে। তদুপৰি, বৰ্তমান ভাৰতৰ সপ্তম ব্যস্ত বিমানবন্দৰ হিচাপে পৰিগণিত হোৱা অসমে ভাৰতৰ বিমান পৰিবহণ খণ্ডৰ বিকাশৰ দিশত এতিয়া অনুঘটক হৈ পৰিছে। তেওঁ লগতে কয় যে ৰাজ্যৰ জিডিপি ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰিৱৰ্তে ২০২৩-২৪ বৰ্ষত ৬৮.৭ বিলিয়ন ডলাৰ হৈছে। ইয়ে ১২.৪ শতাংশ চিএজিআৰ বৃদ্ধিকে প্ৰতিফলিত কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে সকলো উদ্যোগপতি, বিনিয়োগকাৰী, উদ্যোগী আৰু অন্যান্য অংশীদাৰীসকলক বিভিন্ন খণ্ডত অসমৰ বিশাল বিনিয়োগৰ সম্ভাৱনাক বিচাৰি উলিয়াবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে অসমে বিনিয়োগ নিৰ্ভৰযোগ্য অংশীদাৰ সাজু। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সুবিধা আগবঢ়াব বুলিও তেওঁ কয়। টাটা চন্সৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰণ, ৰিলায়েঞ্চ উদ্যোগৰ চিএমডি মুকেশ আম্বানী, আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানী, বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰৱালা, জে এছ ডাব্লিও গ্ৰুপৰ চি এম ডি সজ্জন জিন্দালেও অনুষ্ঠানত ভাষণ প্ৰদান কৰে। টাটা চন্সৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰণে প্ৰযুক্তি খণ্ডত অসমৰ উত্থানৰ ওপৰত আলোকপাত কৰাৰ লগতে বিশেষকৈ জাগীৰোডত টাটা ইলেক্ট্ৰনিকচে বিকশিত কৰি থকা এ টি এম পিৰ সুবিধাই অসমৰ অনুকূল ঔদ্যোগিক পৰিৱেশতন্ত্ৰকে সূচায় বুলি কয়। তেওঁ অসম চৰকাৰৰ সৈতে সহযোগিতাৰে ভৱিষ্যতৰ ক্ষেত্ৰসমূহত বিচাৰি ওলোৱাৰ সমান্তৰালকৈ অহা পাঁচ বছৰত সেউজ শক্তি, মোবাইল মেনুফেকচাৰিং চিপচৰ দৰে খণ্ডসমূহত বিনিয়োগৰ বাবেও আশ্বাস প্ৰদান কৰে। ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীৰ অধ্যক্ষ মুকেশ আম্বানীয়ে স্বচ্ছ শক্তি, ফুড এণ্ড নন ফুড, বাঁহ, কনজিউমাৰ ডুৰেবল ৰিটেইলছ আৰু হোটেল খণ্ডৰ উপৰি শুৱালকুছি ৰেচন উদ্যোগকে ধৰি সহযোগিতাৰ বাবে পাঁচটা অগ্ৰাধিকাৰ ক্ষেত্ৰত ওপৰত আলোকপাত কৰি অহা পাঁচ বছৰৰ ভিতৰত ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ আশ্বাস দিয়ে। আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীয়ে স্বচ্ছ শক্তি, পথ প্ৰকল্পকে ধৰি আন্তঃগাঁথনিৰ সৃষ্টিৰ দৰে ক্ষেত্ৰত আগন্তুক পাঁচ বছৰত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ বাবেও আশ্বাস প্ৰদান কৰে। ইয়াৰ উপৰিও বেদান্ত গ্ৰুপৰ অধ্যক্ষ অনিল আগৰবালাই ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগ আশ্বাস দিয়ে। জে এছ ডাব্লিউ গ্ৰুপৰ চি এম ডি সজ্জন জিন্দালে অসমত নৱীকৰণযোগ্য শক্তি আৰু থাৰ্মেল পাৱাৰৰ দৰে খণ্ডত বিনিয়োগৰ আশ্বাস দিয়ে। এই উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, জ্যোতিৰাদিত্য সিন্ধিয়া, ৰয়েল গৰ্ভমেণ্ট অৱ ভূটানৰ কৃষি আৰু পশুপালন মন্ত্ৰী ইউণ্টেন ফুন্টো, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মাণিক সাহা, বিভিন্ন দেশৰ মিছন মুৰব্বী, ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকল আৰু উদ্যোগ খণ্ডৰ নেতৃবৰ্গ উপস্থিত থাকে।

## চাংসাৰীত নতুন কেম্পা আৰু বিভাৰেজৰ বটলিং প্লাণ্টৰ শুভ

প্ৰডাক্টসমূহ উৎপাদন কৰি লাহে লাহে আগবাঢ়ি যাবলৈ সক্ষম হ'ব। ৰিলায়েন্স গ্ৰুপৰ দৰে এটা বৃহৎ প্ৰতিষ্ঠানে অসমত উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি অহাটো ৰাজ্যখনৰ বাবে এক আনন্দৰ কথা বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰায় ২৫০ কোটি টকা ব্যয়েৰে আৰম্ভ কৰা এই প্ৰকল্পটোৱে প্ৰায় ৩০০ যুৱক-যুৱতীক প্ৰত্যক্ষভাৱে আৰু পৰোক্ষভাৱে প্ৰায় ১ হাজাৰ কৰ্মসংস্থাপন দিবলৈ সক্ষম হ'ব। তেওঁ লগতে কয় যে ৰাজ্যখনত বহুদিন ধৰি উদ্যোগ স্থাপনৰ বাবে প্ৰয়োজনীয় পৰিৱেশ গঢ় লৈ নুঠাৰ বাবে বহু যুৱক-যুৱতী অন্য ৰাজ্যত কৰ্মসংস্থাপন বিচাৰি যাবলৈ বাধ্য হৈ পৰিছিল। বৰ্তমান লাহে লাহে ৰাজ্যখনত ঔদ্যোগীকৰণৰ পৰিৱেশ গঢ় লৈ উঠাত সেইসমূহ যুৱক-যুৱতীয়ে অসমলৈ পুনৰ ঘূৰি আহি স্বগৃহৰ কাষতে কৰ্মসংস্থাপন পাবলৈ সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পাছত অসমত প্ৰায় ৪০ হাজাৰ কোটি টকা বিনিয়োগেৰে কেইবাটাও উদ্যোগ স্থাপনৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল আৰু লাহে লাহে সেই বুজাবুজি চুক্তি অনুসৰি অসমত উদ্যোগ স্থাপনৰ ব্যৱস্থা কাৰ্যকৰী হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে জেৰিকোৰ সৈতে দুবছৰ আগতে এই উদ্যোগটো স্থাপনৰ বাবে বুজাবুজিৰ স্বাক্ষৰ কৰা হৈছিল। অতি কম সময়ৰ ভিতৰত এই প্ৰতিষ্ঠানটোৱে উৎপাদনৰ পৰ্যায়ত উপনীত হ'বলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। এডভাণ্টেছ আছাম ২.০ ৰ আৰম্ভণিতে টাটা ইলেক্ট্ৰনিকছৰ ছেমিকণ্ডাক্টৰ, জেৰিকোৰ ফুডছ আৰু বিভাৰেজ আদিকে ধৰি কেইবাটাও উদ্যোগ ৰাজ্যখনলৈ অহাৰ কথা উল্লেখ কৰি তেওঁ কয় যে কেইদিনমান আগতে ইনফ'ছিচে অসমত এটা কেন্দ্ৰ স্থাপনৰ লগতে ৰুৰেল প্ৰডাক্টছ্ নামৰ উদ্যোগটোৱে বিপিঅ' স্থাপন কৰিছে। যোৱা কেইদিনমানত ৰাজ্যখনত ঔদ্যোগিক আৰু বৃহৎ বৃহৎ প্ৰতিষ্ঠানসমূহ আহিবলৈ আৰম্ভ কৰিছে। বিগত দিনবিলাকত বহু চেষ্টাৰ পিছতো অসমত বিপিঅ' তথা আইটি ডেভ'লপমেণ্ট চেন্টাৰ আদি আৰম্ভ কৰিব পৰা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সেই দিশতো আজি ৰাজ্য চৰকাৰে কাম আৰম্ভ কৰিছে। অসমত উদ্যোগ স্থাপনৰ বাবে যদি এটা সুন্দৰ পৰিৱেশ গঢ়ি তুলিব পৰা যায় তেন্তে ব্যক্তিগত কোম্পানীসমূহৰ অসমলৈ অহাৰ যি যাত্ৰা আৰম্ভ হ'ব সেই যাত্ৰাই ৰাজ্যখনক অৰ্থনৈতিকভাৱে বহু ওপৰলৈ লৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে আজি আৰম্ভ হোৱা এই প্ৰকল্পৰ সম্প্ৰসাৰণৰ ফলত ভৱিষ্যতে ইয়াত আৰু অধিক যুৱক-যুৱতী সংস্থাপিত হোৱাৰ আশা কৰা হৈছে। কেম্পা কোলাৰ এই যাত্ৰাত সকলোকে সহযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। শীতল পানীয়ৰ বজাৰখনত একমাত্ৰ পেপ্‌চি আৰু ক'কাকোলাৰ আধিপত্য আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতৰ নিজা ব্ৰেণ্ড কেম্পা কোলাৰ সৈতে ৰিলায়েন্সে সহযোগ কৰাৰ ফলত ইয়াৰ আকৰ্ষণ বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে কেম্পা কোলাৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ই অন্য শীতল পানীয়তকৈ আধা মূল্যত উপলব্ধ হোৱাৰ বাবে সকলোৰে বাবে সহজলভ্য হ'ব আৰু ভাৰতীয় ব্ৰেণ্ডে গ্ল'বেল ব্ৰেণ্ডৰ লগত শীতল পানীয়ৰ প্ৰতিযোগিতামূলক বজাৰখনত সমানে সমানে আগবাঢ়ি যাব পাৰিব। তেওঁ কেম্পা কোলাৰ এই যাত্ৰাক অধিক গতিশীল আৰু সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোকে আহ্বান জনায়।

## অসমে অত্যাধুনিক প্ৰযুক্তিৰ ভেটি গঢ়ি তুলিছে ঃ মুখ্যমন্ত্ৰী

গঢ়ি তোলাৰ দিশত লোৱা ভূমিকাৰ বাবে কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত বৈদ্যুতিন, তথ্য-প্ৰযুক্তি আৰু ৰে'লৰে দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰত চৰকাৰে অৰ্ধপৰিবাহী গৱেষণাৰ বিকাশ, বিনিয়োগ আৰু প্ৰযুক্তিগত উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ আন্তঃগাঁথনি আৰু অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে কেইবাটাও উল্লেখযোগ্য ঘোষণা কৰে। এই ঘোষণাসমূহৰ ভিতৰত আছে ভাৰতৰ অৰ্ধপৰিবাহী উদ্যোগৰ অসমৰ ভূমিকা শক্তিশালী কৰাৰ বাবে আন এক অৰ্ধপৰিবাহী উদ্যোগ, জাগীৰোডত এন ই আই এল আই টি বিশ্ববিদ্যালয় চৌহদ আৰু কামৰূপ জিলাত ইলেক্ট্ৰনিকচ্ মেনুফেকচাৰিং ক্লাষ্টাৰ স্থাপন। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দুখন নতুন অমৃত ভাৰত ৰে'ল, লজিষ্টিক আৰু বাণিজ্যিক বৃদ্ধিৰ বাবে ছয়টা গতিশক্তি কাৰ্গো টাৰ্মিনেল, সমগ্ৰ অসমত ৬০ টাৰো অধিক ৰে'লৰে ষ্টেচনক অমৃত ষ্টেচনলৈ উন্নীতকৰণ, গুৱাহাটী ৰে'লৰে ষ্টেচনক অত্যাধুনিক আই টি হাবলৈ ৰূপান্তৰিত কৰা, বড়োলেণ্ডত নতুন ৰে'লৰে দবা আৰু মেৰামতি উৎপাদন কেন্দ্ৰ, লামডিঙত এটা নতুন ৰে'লৰে লোকোমটিভ ইঞ্জিন ফেক্টৰী, সীমান্ত সংযোগ বৃদ্ধিৰ বাবে কোকৰাঝাৰ-গেলেফু ৰে'ললাইন আৰু চাৰিটা নতুন ৰে'লৰে ট্ৰেক নিৰ্মাণৰ কথাও ঘোষণা কৰে। এই অধিৱেশনৰ সময়ছোৱাতে অসম চৰকাৰে ছিংগাপুৰ, মালয়েছিয়া আৰু জাপানৰ অৰ্ধপৰিবাহী পৰিৱেশতন্ত্ৰৰ দহটা উদ্যোগ গোটৰ সৈতে বুজা-বুজিৰ চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় অংশীদাৰীত্ব শক্তিশালী হোৱাৰ লগতে ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধমান অৰ্ধপৰিবাহী উদ্যোগত বিনিয়োগ বৃদ্ধি পাব।

# ইচ্ছাবিহীন বিবাহ

■ **নাচিমা য়াচমিন,** বিশ্বনাথ চাৰিআলি

ৰাজ আৰু নন্দিনীৰ বিয়াখন আজি ভালে ভালেই সম্পন্ন হ'ল। মা-দেউতা, জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ লৈ এবুকু আৱেগ সামৰি ৰাজৰ লগত তাইৰ নতুন ঠিকনালৈ বুলি ৰাওনা হ'ল।

এজনী ছোৱালীৰ বাবে কিমান কষ্টকৰ হ'ব পাৰে নিজৰ ঘৰখন, পৰিয়াল, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোকে এৰি অন্য এক অজান ঠাইত গৈ সংসাৰ কৰা, adjust হোৱা।

বুকুত হেজাৰ সপোন বান্ধি লৈ তাইয়ো অন্য ছোৱালীৰ দৰে নতুন সংসাৰ টি অৰ্থাৎ ৰাজৰ পৰিয়াললৈ বুলি ঢাপলি মেলিলে।

কৰণীয় নীতি নিয়ম অনুসৰি তাই নতুন ঘৰখনত প্ৰৱেশ কৰিলে।

নৱ-দম্পত্তীৰ বাবে আয়োজন কৰা বিশেষ ৰাতিটিত তাই নিজৰ আপোন মানুহজন, যিজনৰ ভৰসাত তাই ইমান দূৰ, অচিনাকি ঘৰ এখনলৈ বিয়া হৈ আহিছে, তেওঁৰ বাবে ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষা কৰি আছে।

কিন্তু তেওঁ অহাৰ কোনো নাম-গোন্ধই নাই।

তাই অপেক্ষা কৰি কৰি এসময়ত চকু দুটি লাগি আহিছিল হে মাত্ৰ।

দুৱাৰখন খট কৈ মৰাৰ শব্দ শুনি তাই সাৰ পাই উঠিল।

ডিঙি লৈকে নিচাযুক্ত দ্ৰব্য সেৱন কৰি মাতাল হৈ ঢলং পলং খোজৰ ৰাজ আহিছে। চকু দুটা ৰঙা হৈ আছে। দেখাত বৰ নম্ৰ, ভদ্ৰ মানুহজনৰ এই হিংস্ৰ ৰূপ দেখি নন্দিনী আচৰিত নোহোৱাকৈ পৰা নাই।

: আপুনি, drink কৰি আহিছে?

: অ' কৰিছোঁ, আৰু কৰিম। তুমি সুধিব কোন?

: মই আপোনাৰ পত্নী। মোক আপুনি সমাজৰ সকলো নীতি-নিয়ম মানি হোমৰ গুৰিত পৱিত্ৰ অগ্নিক সাক্ষী কৰি বিয়া পাতি আনিছে।

: নামানো মই এই বিয়া, মোৰ কোনো মত নাছিল এই বিয়াত।

: একমাত্ৰ মাৰ কথা ৰাখিবলৈহে মই তোমাক বিয়া পাতিবলৈ মান্তি হৈছোঁ। এক প্ৰকাৰ হেঁচা প্ৰয়োগ কৰি বাধ্য কৰাইছিল। নাজানো কি দেখা পাইছিল মায়ে তোমাৰ মাজত?

: আপুনি এইবোৰ কি কৈ আছে? আপুনি নিজৰ চেতনাত নাই পিছত এই বিষয়ে কথা পাতিম দিয়ক।

: পিছত কিয়? মই এতিয়াই পাতিম। মই তোমাক মোৰ পত্নী ৰূপত কেতিয়াও স্বীকাৰ নকৰোঁ।

: আপোনাক মই আগতেই সুধিছিলো, 'মোক পচন্দ হৈছে নে নাই?'

তেতিয়া কিয় কোৱা নাছিল এই বিষয়ে?

: মাৰ তোমাক পছন্দ হৈছিল আৰু মই মাৰ মনত কষ্ট দিব বিচৰা নাছিলোঁ। তেওঁৰ কথাৰ অবাধ্য হোৱাৰ সাহস মোৰ কোনোদিনে নাই।

: আৰু এতিয়া যে মোক কষ্ট দি আছে?

: মই ৰিয়াক ভাল পাওঁ। আমাৰ সম্পৰ্কটো বহু পুৰণি।

তুমি বিচৰা সকলো সা-সুবিধা মই তোমাক দিম। কিন্তু পত্নী হিচাপে মৰ্যাদা দিব নোৱাৰো। ভালপোৱা দিব নোৱাৰোঁ। মোৰ ভালপোৱাৰ ওপৰত মাথোঁ ৰিয়াৰ অধিকাৰ আছে।

: আপুনি যদি বেলেগ ছোৱালীক ভাল পাই, মোক কিয় বিয়া পাতিলে?

কিয় আপোনাৰ মাক কৈ নিদিলে ৰিয়াৰ কথা?

তাইক বিয়া পাতিব লাগিছিল।

মোৰ জীৱনটো কিয় নষ্ট কৰিলে?

কোনে অধিকাৰ দিলে আপোনাক মোৰ জীৱনটো লৈ হেতালি খেলিবলৈ।

কান্দোনত ভাঙি পৰিছে ছোৱালীজনী। তাইৰ চকুৰ কাজল বৈ যোৱাকৈ কান্দিছে। কিন্তু আৱেগহীন ৰাজৰ সেইফালে কোনো ভ্ৰূক্ষেপ নাই।

: যি হ'বলৈ আছিল হৈ গ'ল, এইবোৰ লৈ ভাবি লাভ নাই।

বহুত ৰাতি হৈছে শুই যোৱা।

গাৰো আৰু পাতল ব্লেংকেট এখন লৈ ৰাজে চফাখনতেই শুই গ'ল।

ফুলেৰে সজ্জিত কোমল আৰামী বিছনাখনত গোটেই নিশাৰ এপলকো নন্দিনীৰ টোপনি নাহিল। শিতানৰ গাৰো তিতি গ'ল তাইৰ চকুপানীৰে। সকলো সপোন নিমিষতে চুৰ-মাৰ হৈ গ'ল।

পৃথিৱীৰ কোনো নাৰীয়েই সহ্য কৰিব নোৱাৰিব নিজৰ স্বামী জনে অন্য নাৰী এজনীক ভাল পাই বুলি কোৱা কথাটো।

তাইৰ লগত ৰাজে প্ৰতাৰণা কৰিছে। ৰাজ এজন প্ৰতাৰক স্বামী। সি তাইক সঁচা কথাবোৰ কৈ নিদি আন্ধাৰত ৰাখি বিয়াখন পাতিছে।

তাই কি কৰিব একো ভাবি নাপালে। তাক এৰি ঘৰলৈ গুছি গ'লেও নানান লোকে নানান কথা উলিয়াব। মা-দেউতাকৰ সংস্কাৰত প্ৰশ্ন উঠাব। তাইৰ চৰিত্ৰত আঙুলি টোৱাবলৈও দুবাৰ নাভাবিব।

তাই নিজৰ চকুপানী বিলাক মচি ল'লে। নাই তাই দুৰ্বল হৈ পৰিলে নহ'ব। তাই নিজৰ অধিকাৰৰ বাবে যুঁজিব লাগিব। তাইক কৰা প্ৰতাৰণাৰ প্ৰতিশোধ ল'ব লাগিব। এবাৰ বিয়া হৈ গৈছে যেতিয়া, বেয়া হওঁক বা ভাল হওঁক ৰাজ তাইৰ স্বামী। ৰাজৰ ওপৰত তাইৰ পূৰ্ণ অধিকাৰ আছে। কোনো মতেই তাই নিজৰ অধিকাৰৰ পৰা আঁতৰি নাহিব। বিয়াখন যিহেতু এবাৰ তাইৰ লগত হৈ গৈছে, ৰিয়াৰ লগত ৰাজৰ সম্পৰ্কটো অবৈধ।

নিজৰ সেন্দুৰকন চুই তাই প্ৰতিজ্ঞা কৰিলে, ৰাজৰ প্ৰেমিকাক তেওঁলোকৰ জীৱনৰ পৰা আঁতৰাই পঠাব। ৰাজৰ মনত তাইৰ প্ৰতি ভালপোৱাৰ বীজ ৰোপণ কৰিব।

ইমানেই মৰম-ভালপোৱাৰে তাৰ জীৱন উপচাই পেলাব যে ৰিয়াৰ কোনো অস্তিত্বই বিচাৰি নাপায়।

**ম'বাইল ঃ ৭০৯৯৩-৮৯৭৫৫**




Janasanyog RO no 4604/24/28-Feb-25

# গুৱাহাটী আৰ্টিষ্ট গীল্ডত শ্বাহিদ ইছলামৰ কাব্য-পুথি উন্মোচন

## আধুনিকতা মানুহে ভিতৰৰ পৰা অনুভৱ কৰিবলগীয়া বিষয় ঃ নীলিম কুমাৰ

**গুৱাহাটী ঃ** ইংৰাজী ২৩ ফেব্ৰুৱাৰী ২০২৫ তাৰিখ দেওবাৰে দিনৰ ২ বজাৰ পৰা গুৱাহাটী আৰ্টিষ্ট গীল্ডত কবি শ্বাহিদ ইছলামৰ কবিতা পুথি উন্মোচন কৰা হয়। উন্মোচন কৰে বিশিষ্ট কবি নীলিম কুমাৰ, কবি জয়ন্ত কুমাৰ মান্তা, সমালোচক বিপুল শৰ্মা, কবি জোনমণি দাসে। কবিসকলৰ দায়বদ্ধতা সম্পৰ্কে ক'বলৈ গৈ নীলিম কুমাৰে কবিতাৰ আধুনিকতাৰ ওপৰত বক্তব্য প্ৰদান কৰে। তেওঁ কয় যে আধুনিকতা মানুহে ভিতৰৰ পৰা অনুভৱ কৰিবলগীয়া বিষয়। কবি জয়ন্ত কুমাৰ মান্তাই কয় সাম্প্ৰতিক সমাজ-ৰাজনৈতিক পৰিস্থিতিয়ে পৰিৱেশ বিষণ্ন কৰি থকাৰ বিপৰীতে কবিসকলে আশাবাদ পুহি ৰাখিছে, সমাজৰ প্ৰতি কবিৰ আহ্বান সদায়েই গুৰুত্বপূৰ্ণ। নতুন চামে কিমান শক্তিশালীভাৱে কাম কৰি আহিছে, সেয়া নপঢ়িলে গম নাপায়-সমালোচক বিপুল শৰ্মাই নিজা বক্তব্যত এই মন্তব্য আগবঢ়ায়।

গল্পকাৰ সৃজনা শৰ্মা, বেদন্ত নাথ, কবি গিৰিজা শৰ্মা, অৰ্চনা দাস, মাধুৰী সন্দিকৈ, সাহিত্যিক কেৰামত আলী শ্বেখ, অৰুণ মহন্ত, প্ৰফুল্ল বৰ্মণ, ত্ৰিদিপ চৌধুৰী, এ আৰ ৰহমানকে ধৰি কেইবাগৰাকীও নবীন প্ৰবীণ কবি, সাহিত্যিকৰ উপস্থিতিত শ্বাহিদ ইছলামৰ কাগজ কাব্য নামৰ কাব্যগ্ৰন্থখন উন্মোচন কৰা হয়। কবি নীলাভ সৌৰভে আঁত ধৰা অনুষ্ঠানটো কবিতা পাঠ, সমাজৰ ভিন ভিন প্ৰসংগৰ আলোচনা, কথা বতৰাৰে সমাৰণি মৰা হয়।

# নীলা খামৰ চিঠি

■ **বুলমণি বৰি,** লখিমপুৰ



মৰমৰ

ৰাজীৱ

যিদিনাই তোমাৰ নিৰ্ভিক আপোচবিহীন কণ্ঠতো শুনিছিলো সেইদিনাই তোমাৰ প্ৰেমত পৰিছিলো। লাহে লাহে শিপাই গৈছিলো তোমাৰ বুকুৰ আভ্যন্তৰলৈ। এজোপা বৰ গছৰ দৰে তোমাৰ প্ৰশস্ত দুবাহুৰ নিৰাপত্তা শিখৰত মই মতলীয়া যৌৱন আৰু ৰ'দৰ ঠিকনা বিচাৰিছিলোঁ । তোমাৰ সিক্ত আলিংগনত লাভ কৰিছিলোঁ চূড়ান্ত সীমা।

সেইদিনাওতো বাঁহৰ জালিকটা জলঙাৰে ৰ'দজাক সোমাই আহি জিলিকি পৰিছিল আমাৰ ঘৰখন। সন্ধিয়ালৈ নিৰ্মল আকাশখনত তৰাৰে তিৰবিৰাই আছিল যাক আমি ঘৰৰ মূধচেৰে দেখোঁ। ধুমুহাৰ আগজাননী মুঠেও নাছিল। তুমি ফিলবাৰীলৈ ওলাই গৈছিলা অনুষ্ঠানত গীত পৰিৱেশন কৰিবলৈ আৰু ক্ষন্তেক সময়ৰ পাছতে সেই দুঃসংবাদতো যে তুমি বিশাল জনসমুদ্ৰৰ মঞ্চতে ঢলি পৰিছা। যেতিয়া খবৰতো পাইছিলো মগজুৰ ভিতৰেদি যেন তীব্ৰ গতিত ট্ৰেইন এখন চলি গৈছে আৰু সেই ট্ৰেইনেৰে গৈ মই তোমাৰ কাষ পামগৈ। তুমি একেবাৰে নোহোৱা হোৱা খবৰতো এনে লাগিছিল কোনোবাই মোৰ বুকুত প্ৰকাণ্ড চুৰি এখন ভৰাই দিছে আৰু মই সংজ্ঞাহীন হৈ ঢলি পৰিছোঁ।

আজি তুমি নাই অথচ চৌপাশে তোমাৰ যশস্যা। চৌদিশে মাথোঁ তোমাৰেই স্বপ্ন নক্ষত্ৰ গান। তোমাৰ সৃষ্টি আজি জয় জয়কাৰ। এই বাৰ্তা কঢ়িয়াই নিবলৈ বতাহৰ শক্তি আছেনে? আছেনে দেৱদূতসকলৰ মাজত গোপন আদান প্ৰদানৰ ব্যৱস্থা। যদি আছে নিমাতে থাকি পৃথিৱীখন পৰিচালনা কৰা প্ৰকৃতিৰ বতাহে কঢ়িয়াই নিয়ক এই বাৰ্তা তোমাৰ ওচৰলৈ য'ত তুমি শান্তিৰে জিৰাব পাৰিবা।

অসমীয়া সমাজৰ বাবে তুমি তোমাৰ বুকুত গড় বান্ধিছিলা। ৰাজনীতিয়ে সমাজখন ভঙা দেখি, মানুহৰ মনবোৰ টকাই শুহা দেখি, দুৰ্গা দীপাৱলীয়ে কঙালীক চেপা দেখি, অসমীয়া জীয়ৰী-বোৱাৰীয়ে দীঘ বাণী তৰি কাপোৰ ববলৈ বাদ দিয়া সমাজখন লৈ তুমি ভাবনাবিভূৰ হৈ থাকা।

আকৌ হাতত অস্ত্ৰ তুলি লোৱা বুকুৰ কুটুম, ক্ষমতাক লৈ বলীয়ান হোৱা বুকুৰ কুটুম, ৰাষ্ট্ৰযন্ত্ৰৰ কাৰচাজিৰ বিৰুদ্ধে গুজৰাৰ বিনিময়ত নিৰাপত্তাৰক্ষীৰ গুলীত প্ৰাণ হেৰুওৱা বুকুৰ কুটুম, আঘোণৰ পকা ধান এৰি ৰাজপথলৈ ঢপলিয়াই যোৱা বুকুৰ কুটুম, এই সকলোবোৰ বুকুৰ কুটুমক লৈ তোমাৰ যে কিমান প্ৰশ্ন জাগিছিল মনত। প্ৰায়ে টোপনিৰ লগত সাক্ষাতেই নহয় তোমাৰ। উত্তৰহীন প্ৰশ্নবোৰে তোমাক থকা সৰকা কৰিছিল। হিংস্ৰ হৈ উঠিছিল টোপনিবিহীন ৰাতিবোৰ। হৃদয়ত পুঞ্জিভূত ক্ষোভবোৰ উজাৰি উজাৰি তোমাৰ আপোচবিহীন কণ্ঠত প্ৰাণ পায় উঠিছিল অসমীয়া সংস্কৃতিৰ কৰুণ আৰ্তনাদ। আৰু আজি টোপনিৰ সতে কৰা অঘোষিত যুদ্ধখনৰ তুমি একছত্ৰী সম্ৰাট। তোমাৰ অনুভৱৰ দলিচাত আজি জাতিয়ে বাগৰ সলাইছে। তোমাক মৰ্মে মৰ্মে অনুভৱ কৰিছে।

মৃত্যু অৱশ্যম্ভাৱী, এদিন আমি সকলোৱে এই শৰীৰ এৰিব লাগিব। পাৰ্থিৱ কাৰণতে পৃথিৱীৰ জীৱনৰ বিচ্ছেদ হ'বই লাগিব, আঁতৰি জীয়াই থাকিব লাগিব পৃথিৱীৰ উদ্দেশ্যত। কিন্তু আত্মা একেলগ হৈ প্ৰেমৰ হাতত নিৰাপদে থাকিম অনন্ত কাললৈ।

তোমাৰ জীৱনৰ শেষৰতো মেচেজ, তুমি গৃহমন্ত্ৰী। গৃহমন্ত্ৰী হিচাপে ঘৰখনৰ সমস্ত দায়িত্ব মোৰ হাতত অৰ্পণ কৰি গৈছা। হাজাৰ বিপদ হাজাৰ প্ৰয়োজনতো তুমি উভতি নাহা সঁচা কিন্তু মানুহ হিচাপে জীয়াই থকাৰ সমল তুমি দি গৈছা। মাথোঁ নিষ্ঠুৰ বাস্তৱৰ সতে মুখামুখি হ'বলৈ শাৰীৰিকভাৱে আৰু মানসিকভাৱে সবল হৈ থাকিবলৈ শক্তি দিবা যেতিয়ালৈকে তোমাৰ কাষলৈ যাব পৰাকৈ ভগৱানৰ নিমন্ত্ৰণ নাহে।

ইতি

তোমাৰ দুৰ্ভগীয়া পত্নী

**উপাসনা**

**ম'বাইল ঃ** ৯৮৬৪৬-৮০৪৬৯

# মেনকাইন্দ ডেভেলপমেন্ট ফাউনডেচন সংস্থাৰ প্ৰসংশনীয় পদক্ষেপ




**মে**নকাইন্দ ডেভেলপমেন্ট ফাউনডেচন সংস্থাই, নগাঁও জিলাৰ নেহেৰু যুব কেন্দ্ৰৰ সহযোগিতাত, ৰঙাগড়া বাগিচাৰ খেল পথাৰত বিভিন্ন যুবক-যুৱতীসকলৰ মাজৰ পৰা খেলত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা খেলুৱৈসকলে জিলা ভিত্তিত নিজৰ নিজৰ প্ৰতিভা দেখুওৱাৰ বাবে সমৰ্থ হয়। মেনকাইন্দ ডেভেলপমেন্ট ফাউনডেচন সংস্থাটিয়ে সময়ে সময়ে এনে ধৰণৰ সুন্দৰ কাৰ্যসূচী অনুষ্ঠিত কৰা পৰিলক্ষিত হয়।

# শুৱালকুছি মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা উন্মোচন



**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ এটি অন্যতম বিভাগ 'ফেশ্বন টেকনলজি'ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকা এখন উন্মোচন কৰে প্ৰাক্তন ছাত্ৰনেতা তথা শুৱালকুছি ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সম্পাদক শিৱ শৰ্মাই। অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতা, 'ফেশ্বন টেকনলজি' বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকল। উন্মোচনী ভাষণত শিৱ শৰ্মাই বিদ্যালয় অথবা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা শিক্ষাৰ্থীসকলৰ বাবে সাহিত্যৰ প্ৰথম খোজ বুলি উল্লেখ কৰি ইয়াৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ দিশত গতি কৰাৰ এক সুৱৰ্ণ সুযোগ লাভ কৰিব পাৰে বুলি দোহাৰে। অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই অনুষ্ঠান আৰম্ভণিতে সকলোকে আদৰণি জনায়।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা